চান্দমামা

এপ্রিল ১৯৮৮

গিলাছ-ভৰা ৰসনা থাকিলে
পাৰ্টী সদায় ৰঙীন কৰি তোলে!
পাৰ্টীৰ মজা জীৱন্ত কৰি তোলক। গিলাছ ভৰাই ভৰাই ৰসনা খুৱাওক। ফুৰ্তি লগা! তৃষ্ণা দূৰ কৰা! প্ৰতিটো ৰসনা পেকৰ পৰা বহু বেছি গিলাছ ৰসাল পানীয় পোৱা যায়। গিলাছ খালি হবলৈ নিদিব, ৰসনা ভৰাই থাকিব। পাৰ্টী একেবাৰে জমাই তোলক।
পাৰ্টীৰ উপযোগী এঘাৰবিধ মনজুৰোৱা সোৱাদ!
☐ অৰেঞ্জ ☐ পাইনএপল ☐ লাইম ☐ শাহী গুলাব
☐ কালা খাট্টা ☐ কুল খচ ☐ কেশৰ এলাইচি
☐ মছলা চোদা(জল জীৰা) ☐ টুটী ফ্ৰুটী
☐ গ্ৰেপ ব্লবী ☐ মেঙ্গো ৰাইপ।
আই লাভ ইউ ৰসনা
Rasna
soft drink concentrate
ৰসনা
ভাৰতৰ সৰ্বাধিক বিক্ৰী হোৱা চফ্‌ট ড্ৰিঙ্ক কন্‌চেন্‌ট্ৰেট

everest/88/RHL/81 as

চান্দমামা

এপ্ৰিল ১৯৮৮

এই সংখ্যাত আছে

সম্বাদ-বি-সম্বাদ	:	৯
হংস ডিম্বক	:	১০
যি দেৱৰ যি পূজা	:	১১
ম নৰিকতা	:	১৬
স্বৰ্ণ-উপত্যকা	:	১৯
আপটৰ পট	:	২৭
যোগ্যতাৰ মূৰ	:	৩৩
কাৰ.-কথা	:	৩৫
জীৱনৰ গুৰু-ঘাত	:	৩৯
ঘোচাম-গাঁঠি	:	৪২
কৃষ্ণাৰতাৰ	:	৪৩
শিয়ালৰ টুপি	:	৫১
কুঁহিয়াৰৰ ৰস	:	৫৬
ধোবাংবাং	:	৫৯
কথাৰ কিল	:	৬০
প্ৰকৃতিৰ বিস্ময়	:	৬৩

চান্দমামা

খনে : ২.৫০ পইচা মাথোন

বছৰেকীয়া বৰঙণি

৩০.০০ টকা মাথোন

"CRIPPLE"

The word can maim a child for life.

Imagine not being able to race your best friend. Imagine not having a best friend. Imagine being struck by Poliomyelitis before you even know the word. Or what it means. And be called a "cripple" for life.

Every year, Poliomyelitis or Polio strikes 275,000 children in India. In rural India, 1 in every 150—200 surviving newborn is in danger of developing polio unless urgent preventive measures are taken. And, while you read this, there are 1.6 million polio-stricken children in the country, most of them handicapped for life. If only they had been immunized... in time.

PolioPlus
The Rotarian Relief Programme

Rotary International has embarked on a world-wide immunization programme called PolioPlus. Through this programme, Rotary will provide all polio vaccines necessary for upto 5 consecutive years, for children in countries around the world.

Plus immunization against common childhood diseases like measles, diphtheria, tuberculosis, tetanus and whooping cough—-diseases which take 3.5 million young lives in the developing world, every year.

PolioPlus
A Rotary International Campaign
TO IMMUNIZE THE CHILDREN OF THE WORLD

Cut and mail to :
Chairman
POLIOPLUS CAMPAIGN TRUST
128, Golf Links
New Delhi-110 003.

Here's what You Can Do

YES, WE WISH TO SUPPORT THE POLIOPLUS CAMPAIGN TRUST
We enclose our Cheque/Draft of Rs. ....
Name ....
....
Designation ....
....
Company Address ....
....
Phone No. ....

Cheques/Drafts should be drawn in favour of POLIOPLUS CAMPAIGN TRUST payable in Bombay, Contributions are exempted from income tax under section 80 (G) of the Income Tax Act, 1961.

CMP

"YOU HAVE NOT DONE ENOUGH AS LONG AS YOU ARE CAPABLE OF DOING MORE." **ACT NOW.**

বিজয়ী প্ৰতিযোগীসকললৈ
চান্দমামাই অভিনন্দন জনাইছে

মহান ভাৰতীয় পৰম্পৰা প্ৰতিযোগিতা

২

শ্ৰীমতী নমিতা ডেকা
লাচিতনগৰ
গুৱাহাটী।

I Prize

সীমা দেব
মহাত্মা গান্ধী ৰ'ড.
মংগলদৈ
দৰং।

II Prize

শ্ৰীতিমেশ্বৰী ৰাভা
ঢেকীয়াবাৰী, জিৰা
গোৱালপাৰা।

III Prize

চান্দমামা

সংস্থাপক ✻ ✻ ✻ সঞ্চালক

চক্ৰপাণি ✻ বি নাগিৰেড্ডি

এযুগ পাৰ হৈ—চান্দমামাই দ্বিতীয় যুগ পালেহি। চান্দমামাৰ এই পয়োভৰ যে পাঠক-পাঠিকাসকলৰ অকৃপণ-অকৃত্ৰিম মৰমৰ বাবেহে সম্ভৱ হৈছে, সেই কথা আমি সদায় আন্তৰিক কৃতজ্ঞতাৰে সোঁৱৰোঁ। দ্বিতীয় যুগৰ এই শুভ মুহূৰ্ত্তত আমি আমাৰ সহৃদয় পাঠকপাঠিকা আৰু গ্ৰাহক-অনুগ্ৰাহক পৃষ্ঠপোষকসকললৈ হিয়াভৰা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

অমৰ-বাণী

মৃদ্‌ঘট ইব সুখভেদ্যো দুঃসন্ধানশ্চ দুৰ্জনো ভৱতি॥
সুজনস্তু কনকঘটবদ্ দুৰ্ভেদ্যেশ্চাশু সন্ধেয়ঃ॥

[মাটিৰ চৰু সহজেই টুকুৰা হয়, যোৰা নালাগে; কিন্তু সোণৰ পাত্ৰ টুকুৰা হ'লেও যোৰা লাগে। তেনেকৈ, দুৰ্জনৰ বিৰোধ মীমাংসা নহয়, কিন্তু সজ্জনৰ বিৰোধ হয় ক্ষণস্থায়ী।]

বছৰ : ১৩ এপ্ৰিল ১৯৮৮ **সংখ্যা : ১**

খনে : ২·৫০ টকা : : বছৰেকীয়া বৰঙণি : ৩০·০০ টকা




Twinkle, twinkle little Gems,
How I wonder what's in them
Up above the world so high,
Like little diamonds in the sky
Cadbury's GEMS
Fun to play with, fun to eat.
Cadbury's
GEMS
OBM/2286

চান্দমামাৰ সম্বাদ-বি-সম্বাদ

মহাকাশত মহাৰেকৰ্ড...

ছোভিয়েত দেশৰ ৪২ বছৰীয়া মহাশকাচাৰী ৰোমানেছ-কোই মহাকাশত একেবাহে ২৩৭ দিন অতিবাহিত কৰি এক মহাৰেকৰ্ড সৃষ্টি কৰিলে। ইয়াৰ আগতে কোনেও ইমান দিন ধৰি মহাকাশত অতিবাহিত কৰি পৰা নাছিল!

ডুবন্ত দ্বাৰকা...

পুৰাণৰ বৰ্ণনা অনুযায়ী শ্ৰীকৃষ্ণই যিখন দ্বাৰকা নগৰ নিৰ্মাণ কৰিছিল, সেই দ্বাৰকা নগৰখনক সাগৰৰ জলৰাশিয়ে গ্ৰাস কৰিছিল। আনুমানিক ৪০০০ বছৰৰ আগতে যে সৌৰাষ্ট্ৰৰ সাগৰতীৰত এখন সমৃদ্ধ নগৰ আছিল, সম্প্ৰতি তাৰ কিঞ্চিত প্ৰমাণ পোৱা হৈছে।

আৰ্য্যসকল আক্ৰমণকাৰী নাছিল...

সুপ্ৰাচীন হৰপ্পা সভ্যতা আৰ্য্যসকলৰ আক্ৰমণৰ ফলত ধ্বংস তথা বিলুপ্ত হোৱাৰ কথা ঐতিহাসিক ড° ভগৱান সিঙে অগ্ৰাহ্য কৰিছে। তেওঁৰ মতে—আৰ্য্য সভ্যতা আৰু হৰপ্পা সভ্যতাৰ মাজত কোনো প্ৰভেদ নাই। তেওঁ তেওঁৰ মতামতৰ সপক্ষে বহুতো উদাহৰণ দাঙি ধৰিছে।

কণমানি কোৰাণ...

সম্প্ৰতি মহম্মদ কামাল হাছানৰ পৰিয়ালত ২'০ × ২'৭ ছেন্টিমিটাৰৰ হাতেলিখা কোৰাণ আৱিষ্কৃত হৈছে। এই কোৰাণখন এই পৰিয়ালৰ মানুহে হেনো তাৰিজৰ দৰে ধাৰণ কৰিছিল। এইখনক পৃথিৱীৰ আটাইতকৈ ক্ষুদ্ৰ কোৰাণ হিচাপে ঘোষণা কৰা হৈছে। দুই মিলিয়ন ডলাৰ মূল্যৰ এই ক্ষুদ্ৰতম আকৃতিৰ কোৰাণখন এতিয়া দুবাইত সযতনে সুৰক্ষিত।



হংস-ডিম্বক

শালওৱাৰৰ ৰজা ব্ৰহ্মদত্তৰ বহু কাললৈকে কোনো সন্তানাদি নাছিল। সেইদেখি তেওঁৰ কুলগুৰুৱে এদিন ক'লে, "আমাৰ দেশৰ প্ৰতিজন প্ৰজায়েই তোমাৰ সন্তানৰ দৰে। গতিকে— প্ৰজাবৰ্গৰপৰা যি কোনো এজনক বাছি তোলনীয়া হিচাপে লৈ তোমাৰ উত্তৰাধিকাৰী কৰাঁ।"

কিন্তু ৰজাই কুলগুৰুৰ এই পৰামৰ্শ শুনি ভাল নাপালে। ব্ৰহ্মদত্তই শিৱক তপস্যাৰে তুষ্ট কৰি সন্তানৰ বাবে বৰ প্ৰাৰ্থনা কৰিলে।

শিৱৰ বৰত কিছুকালৰ ভিতৰত ৰজা ব্ৰহ্মদত্ত দুটি পুত্ৰৰ পিতৃ হ'ল। পুত্ৰ দুটিৰ নাম যথাক্ৰমে হংস আৰু ডিম্বক। পুত্ৰদ্বয়ক শিক্ষাদান কৰি ধৰ্মৰ বাটেৰে চালিত কৰিবলৈ কুলগুৰুৱে ৰজা ব্ৰহ্মদত্তক উপদেশ দিলে। পুত্ৰদ্বয়ৰ কাৰণে ব্ৰহ্মদত্ত যথেষ্ট গৰ্বিত হ'ল।

অলপ ডাঙৰ হোৱাৰ পাছত হংস আৰু ডিম্বকে জৰাসন্ধৰ সৈতে সুসম্পৰ্ক স্থাপন কৰিলে। তপস্যা কৰি ব্ৰহ্মাৰপৰা বৰ লাভ কৰিলে, যাতে কোনেও সিহঁতৰ অনিষ্ট কৰিব নোৱাৰে।

কিন্তু ব্ৰহ্মাৰপৰা এই বৰ লাভ কৰাৰ পাছৰেপৰা হংস আৰু ডিম্বকে সাধু-সজ্জনসকলক অত্যাচাৰ কৰিবলৈ ধৰিলে। সিহঁতকৈ ক্ষমতাৱান জগতত কোনো নাথাকিব বুলি সিহঁতে দম্ভি মাৰি ঘোষণা কৰিলে। সিহঁতে পিতৃ ব্ৰহ্মদত্তকো সিংহাসনচ্যুত কৰিলে, আৰু অন্যান্য ৰজাকো ক্ষমতাচ্যুত কাৰবলৈ ধৰিলে। আনকি কৃষ্ণকো জব্দ কৰিবলৈ সিহঁত আগবাঢ়িল।

কৃষ্ণই সিহঁত দুটাক ভালকৈ এশিকনি দিবৰ মনেৰে হংসক বন্দী কৰি প্ৰচাৰ কৰিলে যে হংসৰ মৃত্যু হ'ল। এই বাতৰি শুনি, হংসৰ বিচ্ছেদ সহিব নোৱাৰি ডিম্বকে যমুনাৰ নৈৰ পানীত আত্মজাহ দিলে। আৰু ডিম্বকৰ মৃত্যুৰ বাতৰি পাই হংসও আত্মঘাতী হ'ল।

তেতিয়া কুলগুৰুৱে ৰজা ব্ৰহ্মদত্তক ক'লে, "সন্তানৰ গৰ্বত গৰ্বী হলেই নহয়, সন্তানক ধৰ্মপথেৰে পৰিচালিত কৰাটোও পিতৃৰ পৰম কৰ্তব্য।"

পৰম প্ৰাজ্ঞ এই মহান কুলগুৰুৰ উচিত কথা শুনি নিজৰ অক্ষমতা তথা কৰ্তব্যত অৱহেলাৰ কথা অনুধাৱন কৰি ৰজা ব্ৰহ্মদত্ত গভীৰভাৱে অনুতপ্ত হ'ল।



যি দেওৰ যি পূজা

ক'ৰ কেইটা চুক তাকো নজনা, কাম-বনৰ কাযেদিও নোযোৱা, ধোদৰ পচলা ধান্নুৰাম আছিল ক'তো কোনো নথকা অকল-কতীয়া ডেকামানুহ। কিন্তু সি যিমানেই অকামিলা নহওক, তাৰ মনত সদায় কাৰ দিন কাৰ ৰাতি। আৰু তাৰ মনত আছিল এক আচৰিত ইচ্ছা : তাৰ জীৱনত কোনোবা দিনা নিশ্চয় অলৌকিক কিবা ঘটিবই ঘটিব।

এবাৰ হিমালয়ৰপৰা এগৰাকী যোগী ধান্নুৰামহঁতৰ গাঁৱলৈ আহিল। এইগৰাকী যোগীপুৰুষ আছিল অতি বৃদ্ধ আৰু অসুস্থ। ধান্নুৰামে দিনে-নিশাই যোগীৰ আলপৈচান ধৰি যোগীক তুষ্ট কৰিলে। কিন্তু যোগী সুস্থ হৈ নুঠিল।

এদিন যোগীয়ে স্পষ্টকৈ বুজি পালে যে, তেওঁৰ মৃত্যুৰ দিন সমাগত। বৃদ্ধ যোগীয়ে ধান্নুৰামক ক'লে, "বোপা তোমাৰ মনৰ বাসনা মই বুজি পাইছোঁ। তুমি যে ইমান দিন ধৰি মোৰ সেৱা-যত্ন কৰিলা, তাৰ প্ৰতিদান মই দিম।" এই বুলি কৈ, যোগীয়ে ধান্নুৰামৰ মূৰত হাত পৈ কিবাকিবি মন্ত্ৰ আওৰোৱাৰ অন্তত তাক পুনৰ ক'লে, "বোপা, আজিৰ-পৰা তোমাৰ সকলো সপোন সিদ্ধ হ'ব ; পিছে—তাৰে তোমাৰ কিবা উপকাৰ হ'বনে নহ'ব—সেয়া হ'ল তোমাৰ ভাগ্যৰ কথা।" এই কথা কোৱাৰ অন্তত যোগীপুৰুষজনা স্বৰ্গী হ'ল।

যোগীৰ দাহকাৰ্য্যাদি কৰাৰ অন্তত, নিজৰ ভাগ্যপৰীক্ষাৰ মনেৰে ধান্নুৰাম ৰাজধানীলৈ বুলি ৰাওনা হ'ল। বহু দূৰলৈকে যোৱাৰ

সুন্দৰ শেনচোৱা



অন্তত সি এখন ধৰমশালাত আশ্ৰয় ল'লে।

মাজনিশা ধানুৰামে সপোনত দেখিলে যে সেই দেশৰ ৰজা শিৱবৰ্মাই তৰোৱাল হাতত লৈ থিয় হৈ আছে, আৰু এগৰাকী বুঢ়া মানুহে ৰজাক কিবা কৈ আছে।

ৰজা শিৱবৰ্মা সেই বুঢ়া মানুহজনৰ লগ লাগি এটা বিৰাট অট্টালিকাৰ ভিতৰলৈ গ'ল আৰু পাছ মুহূৰ্ততে বুঢ়া মানুহজন নোহোৱা হ'ল। লগে লগে প্ৰচণ্ড ধুমুহা উঠিল। ৰজা শিৱবৰ্মা অট্টালিকাৰপৰা ওলাই অহাৰ লগে লগেই ধুমুহাই তেওঁক উৰুৱাই নিলে আৰু সৰোবৰ এটাত দলিয়াই পেলালে।

পাছদিনা ধানুৰামে ৰজাক এই সপোনৰ কথা ক'লেগৈ। লগতে তাৰ সম্পূৰ্ণ নিঃসম্বল জীৱনৰ কথাও ক'লে।

ধানুৰামৰ কথা শুনি ৰজাই হাঁহি উঠি ক'লে, "পেট প্ৰৱৰ্তাবলৈ ইমানবোৰ ধুমুৰ মিছা ক'ব লাগেনে?" ৰজাই ধানুৰামক দহটা সোণৰ মুদ্ৰা দিলে।

ধানুৰাম মনমৰা হৈ ধৰমশালালৈ উভতি গ'ল কিন্তু পাছদিনা ৰজাৰ মানুহে ধানুৰামক ধৰমশালাৰপৰা মাতি লৈ গ'ল।

ৰজাই ধানুৰামক ক'লে, "হেৰাহে, তোমাৰ সেই সপোন দেখোন সঁচা ল'ল। তোমাৰ কাৰণেহে মই এইবাৰলৈ ৰক্ষা পৰিলোঁ। এই ঘটনাৰ কথা আগতীয়াকৈ কৈ তুমি মোৰ কিমান যে উপকাৰ কৰিলা! কিন্তু—তুমি আগতীয়াকৈ জানিলানো কেনেকৈ? যি কি নহওক—তুমি মন গ'লে মোৰ অধীনত কাম ল'ব পাৰা।"

ধোদৰ পচলা ধানুৰামে ৰজাক ক'লে, "মহাৰাজ! মই ঘোঁৰাৰ পিঠিত উঠিবৰ ভাল পাওঁ। গতিকে—মোক দিয়েই যদি—তেনেকুৱা কামকে দিয়ক।"

ৰজাই ধানুৰামক তেওঁৰ ঘোঁৰাশালাৰ ঘাই পৰীয়াৰ কামত মকৰল কৰিলে আৰু সেই দিনৰপৰা ধানুৰামেও ঘোঁৰাৰ পিঠিত ধিতিঙালি কৰি ফুৰিবলৈ ধৰিলে।

কিছুদিনৰ অন্তত ধানুৰামে এদিন ৰজাক ক'লেগৈ, "মহাৰাজ, কালি নিশা মই এটা বৰ বেয়া সপোন দেখিলোঁ।"

"বেয়া হ'লেও কোৱা।" ৰজাই ক'লে।

ধোদৰ পচলা ধানুৰামে ক'লে, "মহাৰাজ, অসহায় অৱস্থাত পৰাত এজন তপস্বীয়ে আপোনাক কৈ আছিল, 'হে ৰজা মই যে কোন—তুমি এতিয়াই ঠাৱৰ কৰিব নোৱাৰিবা। পিছে ৰাজত্ব তথা ৰাজসুখ পৰিহৰি মোৰ মৰমৰ শিষ্যজনকো লগত লৈ মোৰ পিছে পিছে আহি থাকাঁ।' এই বুলি কৈ সেই তপস্বীয়ে আপোনালৈ মন্ত্ৰঃপূত পানী ছটিয়ালে আৰু তৎমুহূৰ্ত্ততে আপোনাৰ পুনৰ্জন্মৰ পৰিপূৰ্ণ ৰূপ আপুনি দেখা পালে। তেতিয়া আপুনি সেই তপস্বীক ক'লে, 'হে মহাৰাজ, আপোনাৰ আদেশ শিৰোধাৰ্য্য।' এই বুলি কৈ, ৰাজমুকুট মোক পিন্ধাই, ৰাজাংগুৰীয় [ৰজাৰ আঙঠি] মোৰ আঙুলিত পিন্ধাই, মোক আপুনি ক'লে, 'আজিৰপৰা এই দেশৰ দায়িত্ব তোমাৰ। তুমিয়েই ৰজা।' এই বুলি কৈয়েই আপুনি ৰাজসুখ পৰিহৰি গুচি গ'ল।"

ধানুৰামৰ কথা শুনি ৰজা প্ৰচণ্ড বিস্মিত হ'ল। অলপ পৰলৈ নিমাতে থকাৰ পাছত কিবা কথা ভাবি হঠাৎ তেওঁ অন্তেষপুৰলৈ গ'লগৈ।

আৰু—অবাক কাণ্ড! পাছদিনা,

ৰজা শিৱবৰ্মাই ধোদৰ পচলা ধানুৰামক ৰাজমুকুট আৰু ৰাজকীয় আঙঠি পিন্ধাই দেশৰ ৰজা পাতি দিলে। প্ৰজাবৰ্গই মহাৰাজৰ অভিপ্ৰায়ক্ৰমে জয়ধ্বনিৰে নতুন ৰজা ধোদৰ পচলা ধানুৰামলৈ বিৰাটভাৱে আদৰণি জনালে।

ঠিক তেতিয়াই ৰজাৰ বাৰ্তাবাহক এজনে নতুন ৰজা ধানুৰামক ক'লেহি, "মহাৰাজ, এনে শুভ মুহূৰ্তত মই যি অশুভ বাতৰি কঢ়িয়াই আনিছোঁ, তাৰ বাবে ক্ষমা কৰিব। আমাৰ দেশৰ দুৰ্ঘোৰ শত্ৰু পুৰন্দৰপুৰ ৰাজ্যৰ অনন্তশৰ্মাই আমাৰ দেশ আক্ৰমণ কৰিবলৈ বিৰাট সৈন্য-বাহিনী লৈ দুৰ্বাৰ গতিৰে ঢপলিয়াই আহিব ধৰিছে। আমাৰ সৈন্যবাহিনী আপোনাৰ আদেশলৈ বৈ আছে।"

যদিও ধোদৰ পচলা ধানুৰামে চকুৰে সৰিয়হ ফুল দেখিলে, তথাপি সৈন্য-বাহিনীক আগবাঢ়িবলৈ আদেশ দিলে। তাৰ পাছত ধানুৰাম ৰজাই মহামন্ত্ৰীক সুধিলে, "মহামন্ত্ৰী, পুৰন্দৰপুৰৰ ৰজা অনন্তশৰ্মাই সন্ধিৰ প্ৰস্তাৱত মান্তি হয়নে নহয় চাওক।"

সেই নিশা ধানুৰামে পুনৰ সপোন দেখিলে : সি এই ৰাজপ্ৰাসাদ এৰি পলাই যাব ধৰিছে আৰু তাক ধৰিবলৈ কিছুমান মানুহে তাৰ পিছে পিছে খেদি গৈছে। এনেতে সি সাৰ পাই গ'ল।

সাৰ পায়েই কক্ষৰ দুৱাৰ খুলি ধানুৰাম ধেল ওপঙা খোৱাৰ দৰে হৈ তাৰ কক্ষৰ প্ৰহৰীৰ ভেশত বৈ থকা ৰজা শিৱবৰ্মাৰ গাত লুটি খাই পৰিল।

প্ৰহৰীৰ ভেশ ধৰি থকা ৰজা শিৱবৰ্মাক চিনিব পাৰি ধানুৰামে 'আঁ আঁ' কৰি ধাৰৰ নল কঁপা দি কঁপিবলৈ ধৰিলে।

তেতিয়া ৰজা শিৱবৰ্মাদে ধেল ওপঙা খোৱা ধানুৰামক থিয় কৰাই, পিঠিত থপৰিয়াই ক'লে, "তুমি কিয়নো ভয় কৰিছা? তুমি দেখোন আগৰ কথা

আগতীয়াকৈ ক'ব পাৰা। তোমাৰ সপোন দেখোন সদায় সঁচা হয়। আজিও তুমি কিবা সপোন দেখিলানে কি? মোৰ বিষয়ে কিবা সপোন দেখিলানে? মই পুনৰ আগৰ দৰে ৰজা হোৱাৰ সপোন দেখিলানে কি?"

"হয়—মহাৰাজ—হয়। আপুনিয়েই আকৌ ৰজা হোৱাৰ সপোন দেখিলোঁ।" ধানুৰামে ধাইয়ে ধৰা মানুহ দৰে ক'লে, "মোৰ জীৱন ব্যৰ্থ হ'ল, মহাৰাজ!"

ৰজা শিৱবৰ্মাই হো হোকৰে হাঁহি উঠিল আৰু পাছত ক'লে, "এতিয়াৰপৰা—আশাকৰোঁ — মোৰেই অধীনত থাকি, মোকেই সিংহাসনৰপৰা খেদিবলৈ আৰু কদাপি চেষ্টা নকৰিবা। তুমি ৰজা হ'বলৈ বিচাৰিছিলা, হ'লাও, পিছে—ৰজাৰ কৰ্তব্য কৰাৰ যোগ্যতা তথা বুদ্ধি তোমাৰ নাই বুলিয়েই ৰজাৰ দায়িত্বৰপৰা পলাই সাৰিব খুজিছিলা। যি কি নহওক, এতিয়া নিশ্চয় তোমাৰ ক্ষমতা কিমান—সেই কথাৰ বুজ পালা। এতিয়াৰপৰা যিমতে চলিলে চৰখৰীয়াত নপৰিবা, সেইমতে চলিবা। ৰজাৰ চালি ধৰিলেই ৰজা হোৱা নাযায়। যি দেওৰ যি পূজা—তাতেহে জীৱনৰ মজা।"

ধানুৰামে কান্দি কান্দি ৰজাৰ ভৰিত ধৰি ক্ষমা প্ৰাৰ্থনা কৰিলে। ৰজা শিৱবৰ্মাদেৱে ধানুৰামক এটা শকত টোপোলা দি ক'লে, "এই টোপোলাটোত এহেজাৰ সোণৰ মুদ্ৰা আছে। তোমাৰ ক্ষমতা অনুযায়ী কিবা বেহা-বেপাৰ কৰি সুখে-সন্তোষে থাকাঁগৈ যোৱা। ৰজা হোৱাৰ মজা পালা, এতিয়া আৰু অকামিলাৰ দৰে অবাবতে জুনা নাগাই জীৱনৰ সজাত সোমোৱাগৈ।"

ধোদৰ গচলা ধানুৰামে ৰজা শিৱবৰ্মাদেৱক পুনৰ সেৱা কৰি, সোণৰ মুদ্ৰাৰ টোপোলাটো লৈ তৎক্ষণাৎ তাৰপৰা ওলাই গৈ স্বস্তিৰ উশাহ এৰিলে।

মানৱিকতা

চাকৰি বিচাৰি চকৰি ঘূৰা দি ঘূৰি ঘূৰিও চন্দ্ৰকান্ত আৰু হৰকান্ত ব্যৰ্থ হ'ল। সিহঁত দুটা আছিল নলে-গলে লগা বন্ধু। একেখন গাঁৱৰে সিহঁত। একেলগেই ডাঙৰ-দীঘল হৈ উঠিছিল। আৰু—যেতিয়া গাঁও-নগৰ ক'তো থল গৰকিব নোৱৰা হ'ল, যেতিয়া কোনো কাম-ধান্দা নোপোৱা হ'ল, তেতিয়া অগত্যা মধুসূদন চুৰি-চাপাচীতে ধৰিব বুলি সিহঁত দুয়ো খাটাং কৰিলে।

সিহঁত দুটাই ফন্দী কৰিলে যে, নগৰত চুৰি কৰি পোনে পোনেই গাঁৱলৈ পলাই যাব। সিহঁত দুটাই ক'ত চুৰি কৰিব, কোনোটো ঘৰত সোমাব, তাৰ দিহা লগাবলৈ নগৰৰ বাটে বাটে ঘূৰি থাকিল।

আৰু ৰাতিৰ পৰতে হৰকান্তই এটা ঘৰৰ তলা খুলি পেলালে। কিন্তু চন্দ্ৰকান্তই ইকোঠা - সিকোঠাকৈ বিচাৰি-খোচাৰিও একো মাল-বস্তু নাপাই ওলাই আহিল।

চন্দ্ৰকান্তই বন্ধু হৰকান্তক ক'লে যে, এই ঘৰটোৰ মালিক হ'ল নীলকণ্ঠ সোণাৰি। সোণ-ৰূপৰ বেপাৰী। আজি পা-পৰিয়ালে চুবুৰীয়া গাঁৱলৈ গ'ল। মেজৰ ওপৰত এখিলা কাগজত লিখি থৈ যোৱা চিঠি এখনৰপৰা চন্দ্ৰকান্তই এইখিনি কথা জানিলে। আৰু জানিলে যে সিহঁত আজিয়েই ঘূৰি আহিব।

হৰকান্তই চন্দ্ৰকান্তক ক'লে, "এটা কাম কৰা। তুমি এটা কোঠাত লুকাই থাকাগৈ। নীলকণ্ঠ আহক, শোৱক, টোপনিত লাল-কাল হৈ পৰক। তাৰ পাছত—তুমি তাৰ চন্দুকৰ চাবিপাত

তনুময় তালুকদাৰ

তাৰ গাঁৱৰ তলৰপৰা ল'বা, চন্দুক উদি কৰি টোপোলাটি লৈ ওলাই আহিবা।"

"কিন্তু চাবিপাত বিচাৰোঁতে যদি নীলকণ্ঠ সাৰ পাই যায়—তেতিয়া ?"

"এঃ, সেই কথাত কিহৰ চিন্তা। টোপনিৰপৰা সাৰ নোপোৱা দৰব মোৰ ওচৰত আছে। এয়া লোৱা। এই চিচাটোৰ ঠিলাটো খুলি নীলকণ্ঠৰ নাকৰ ওচৰত ধৰি থাকিবা। বচ। সি আৰু গমেই নাপায় কেতিয়াৰ ৰাত্তি কোনদিনা পুৱাল।"

মাজনিশা নীলকণ্ঠ উভতি আহিল। আহি গা ধুই, অলপ জলপান খাই, হিচাপৰ বহী উলিয়াই-মেলি বহিল। ইপিনে—মনে মনে লুকাই থকা চন্দ্ৰকান্তক টোপনিয়ে জোকাই আছিল। যি কি নহওক, অলপ পাছত হিচাপৰ বহীবোৰ সামৰি-সুতৰি থৈ, শুবলৈ যো-জা কৰি থাকোঁতেই কোনোবাই বাহিৰৰপৰা দুৱাৰত খটখটালে।

নীলকণ্ঠই সুধিলে, "কো—ওন—?"

"মই মিছলিগাঁৱৰপৰা আহিছোঁ। মোক আপোনাৰ শহুৰদেউতাৰাই পঠিয়াইছে। আপোনাৰ বৰ ল'ৰাটোক সাপে খুটিলে।"

"আঁ!" বিভ্ৰান্ত নীলকণ্ঠই দুৱাৰখন খুলিলে আৰু লগে লগে সেই আগন্তুক মানুহটোৱে ডেগাৰ এখন নীলকণ্ঠৰ ডিঙিত



টোঁৱাই ধৰি ক'লে, "চিঞৰিছা যদি—মৰিছা কৈছোঁ। একদম শেষ কৰি দিম।"

"তু—তু—তুমি কোন!"

"চন্দুকত যি আছে দিয়া। তোমাৰ লগত মস্কৰা মাৰিবলৈ মোৰ একদম সময় নাই।" ডকাইতটোৱে ক'লে।

নীলকণ্ঠই পলাই যাবলৈ চেষ্টা কৰাত সেই ডকাইতটোৱে ডেগাৰেৰে নীলকণ্ঠক ঘপিয়াবলৈ ধৰোঁতেই লুকাই থকা চন্দ্ৰকান্তই ডকাইতটোৰ নাকৰ ওপৰত ৰামঘোচা এটা শোধালেহি।

আৰু ডকাইতটোৱে আন কিবা কৰিবলৈ নৌপাওঁতেই নীলকণ্ঠ আৰু

চন্দ্ৰকান্তই একেলগে তাৰ ওপৰত জঁপিয়াই পৰি তাক কটকটীয়াকৈ বান্ধি পেলালে। তাৰ পাছত বাটৰপৰা প্ৰহৰী ছুটামানক মাতি আনি ডকাইতটোক নীলকণ্ঠই প্ৰহৰীইঁতৰ হাতত গটাই দিলে।

তেতিয়া চন্দ্ৰকান্তক নীলকণ্ঠই সুধিলে, "পিছে—তুমিনো কোন? তুমি মোৰ ঘৰত সোমালাহি কেতিয়া? কিয় সোমোলাহি?"

চন্দ্ৰকান্তই কন্দনামুৱা হৈ ক'লে, "আপুনি মোক মাফ কৰক। মোৰ কথা হ'ল—।" চন্দ্ৰকান্তই তাৰ নিজৰ আৰু হৰকান্তৰ কথা কোৱাৰ অন্তত নীলকণ্ঠক ক'লে, "আমাৰ চুৰিৰ আঁচনি সফল হোৱাৰ আগতেই সেই ডকাইতটো সোমালহি আৰু সকলো লণ্ডভণ্ড কৰি পেলালে।"

নীলকণ্ঠ অলপ সময়লৈ নিমাতে থাকিল। তাৰ পাছত চন্দ্ৰকান্তক সুধিলে, "এয়ে তোমলোকৰ প্ৰথম চুৰিনে কি?"

"হয়, ঠিকেই ধৰিছে আপুনি।"

"তুমি এটা দগধা চোৰ হোৱাহেঁতেন—মোক মৃত্যুমুখৰপৰা ৰক্ষা কৰিবলৈ ডকাইতটোৰ ওপৰত নিশ্চয় জঁপিয়াই নপৰিলাহেঁতেন। বৰঞ্চ—মোক সি মাৰি পেলোৱাৰ অন্তত বস্তুৰ ভাগহে আদায় কৰিলাহেঁতেন।" নীলকণ্ঠই ক'লে।

"হওঁতে—আপোনাৰ কথা কিজানি ঠিকেই। কিয়নো ডকাইতটো নহাহেঁতেন ময়েই আপোনাৰ ধন চুৰি কৰিলোহেঁতেন। আৰু আপুনি মোক বাধা দিয়াহেঁতেন ময়ে আপোনাক মাৰি পেলালোহেঁতেন। কিন্তু—তথাপি যে কিয় মই আপোনাক ৰক্ষা কৰিবলৈ আগুৱাই গ'লোঁ—একো বুজি পোৱা নাই মই।" চন্দ্ৰকান্তই ক'লে।

মিচিকীয়াই হাঁহি নীলকণ্ঠই ক'লে, "নুবুজিবলগা একো নাই। মানুহ যিমানেই বেয়া নহওক, তাৰ মাজত মানৱিকতা থাকিবই। এই মানৱিকতাই কেতিয়াও বিশ্বাসঘাতকতা নকৰে, কৰিব নোৱাৰে।"



স্বৰ্ণ-উপত্যকা

৪

দঢ়ীয়া বুঢ়াৰ
আদেশ মতে গছৰ
আঁৰৰপৰা ওলাই অহা সৈন্য-
বিলাকে বিনন্দক চাৰিওফালৰপৰা
আগুৰি ধৰিলে। কিন্তু বিনন্দই এটা খিয়
জঁাপ মাৰি সিঁহতৰ মূৰৰ ওপৰেদি বহু দূৰলৈ
গুচি গল আৰু তীব্ৰ গতিৰে লৰৰি গৈ এটা প্ৰকাণ্ড
অট্টালিকাৰ কাষ পালেগৈ। অট্টালিকাৰ ভিতৰলৈ সোমাব বুলি
ভাবি বিনন্দই পিছফালে ঘূৰি চায়েই এটা পাহাৰৰ টিঙলৈ দৃষ্টি
পৰাত অবাক বিস্ময়ত শিলৰ দৰে ৰৈ দিলে। আৰু বিনন্দক বন্দী কৰিবলৈ
খেদি অহা সেই সৈন্যবিলাকেও পাহাৰৰ সেই দৃশ্য দেখি ধাৰৰ নল কঁপাদি
কঁপিবলৈ ধৰিলে। আৰু তাৰ পাছত......

সেই পাহাৰটোৰ সুউচ্চ চূড়াত এটি সুদৃশ্য সাজ-পাৰ পিন্ধা নিচেই কম বয়সৰ ল'ৰা অলৰ-অচৰভাৱে থিয় হৈ আছিল। আৰু এই ল'ৰাটিক মাৰি পেলাবলৈ এটা মহামৃগ তীব্ৰ গতিৰে ল'ৰাটোৰ পিনে আগুৱাই গৈ আছিল।

তেতিয়া সৈন্যইঁতৰ মাজত এটাই কৈ উঠিল, "যুৱৰাজ! সেই মহামৃগই শেহান্তৰত সৌ ৰাজকোঁৱৰক মাৰি পেলাব যেন পাওঁ।"

বিনন্দই তাৰ তৰোৱালখন হাতত লৈ

মনোজ দাস

ৰজাই এটি শিশুৰ দৰে উচুপি উঠিল।

বিনন্দই কৈ উঠিল, "মহাৰাজ! এই মৃগটোক হত্যা কৰি ল'ৰাটিক ৰক্ষা কৰিবলৈ আদেশ দিব পাৰে নেকি!"

আৰু ঠিক তেতিয়াই সেই মহামৃগটোৱে তাৰ বিৰাট মুখখন মেলি, দীঘল জিভাখন উলিয়াই, ল'ৰাটোক গিলি খাবলৈ তাৰ কাষ চাপিল। মহামৃগটোৰ দীঘলীয়া ৰঙা বৰণীয়া জিভাখন জুইৰ শিখাৰ দৰে লৌ লৌকৰে জ্বলি উঠিল। কিন্তু বিনন্দই আৰু সহিব নোৱাৰি মহামৃগৰ ডিঙিটো একেঘাপে দুছোৱা কৰি পেলালে!

মহামৃগৰ মুণ্ডটো বাগৰি বাগৰি ৰজাৰ ৰথৰ কাষতে ৰ'লহি। মহামৃগৰ নাকৰ বিন্ধাৰ মাজেদি ওলোৱা জুই শিখাই দঢ়ীয়া বুঢ়াৰ দাঢ়িৰ এভাগ পুৰি পেলাইছিল।

দঢ়ীয়া বুঢ়াই বিব্ৰতভাৱে বিনন্দক সুধিলে, "কথা কি? কি হ'ল?"

বিনন্দই দৃঢ়তাৰে ক'লে, "ৰাজকোঁৱৰক গিলি খাবলৈ ধৰা মহামৃগক মই হত্যা কৰিলোঁ। মই যি মহৎ কাম কৰিলোঁ, ৰজাই মোক ৰাজকন্যাৰ সৈতে আধা ৰাজত্ব প্ৰদান কৰিলেও ৰজাৰ ঋণ পৰিশোধ নহ'ব। অৱশ্যে সেই ইচ্ছাও মোৰ নাই।"

এই কথা শুনি দঢ়ীয়া বুঢ়াই গম্ভীৰ কণ্ঠেৰে সৈন্যসকলক আদেশ দিলে, "এই—

ক'লে, "ৰাজকোঁৱৰক সেই মহামৃগই মাৰি পেলাব বুলি যেতিয়া বুজি পাইছাই— মহামৃগটোক হত্যা নকৰা কেলেই?"

বিনন্দৰ কথা শুনি সৈন্যসকলে অবাক বিস্ময়ৰে তাৰ প্ৰতি ঘূৰি চালে।

ঠিক তেতিয়া তাত এখন ৰথ আহিল। ৰথত থকা ৰজাক সৈন্যসকলে 'মহাৰাজৰ জয় হওক' বুলি অভিবাদন জ্ঞাপন কৰিলে। এই ৰথত ৰজাৰ সৈতে আন দুজন বিৰাট আকাৰৰ মানুহো আছিল।

ৰজাই সিহঁতৰ কথা কাণতো নুতুলিলে। তেওঁ সেই ল'ৰাটিক ক'লে, "বোপা, মোক এৰি গুচি যোৱানে!" এই বুলি কৈয়েই



কৌন হায়, ইয়াক বন্দী কৰা।"

লগে লগে ৰজায়ো কৈ উঠিল, "ওঁ, ইয়াক বন্দী কৰা আৰু ৰাজপ্ৰাসাদৰ কাষৰীয়া কাৰাগাৰত ভৰাই থোৱা।"

তিমানতে পাহাৰৰ চূড়াৰপৰা সেই ল'ৰাটিয়ে নামি আহি বিনন্দৰ কাষ পাইছিলহি। ল'ৰাটিয়ে কৃতজ্ঞতাৰে বিনন্দলৈ চালে। কিন্তু ৰজাৰ নিৰ্দেশমতে বিনন্দক বন্দী কৰা হ'ল।

বিনন্দক বন্দী কৰি কাৰাগাৰত ভৰাই থোৱাৰ অন্তত ৰজাই আৰু বুঢ়া দৰ্চীয়াই ভবা-গুণা কৰি থাকিল এই মহামৃগক মৰ্য্যাদাৰে সমাধিস্থ কৰি এটা স্মৃতিচিন তথা স্মৃতি-সৌধ সজাৰ কথা। ৰজাই আৰু দৰ্চীয়াই কাৰাগাৰৰ কাষতেই থিয় হৈ এই বিষয়ে কথা পাতি আছিল আৰু বিনন্দৰ কাণতো এইবোৰ কথা পৰিছিলগৈ।

ৰাতি বিনন্দৰ চকুত টোপনি নোহোৱা হ'ল। বিনন্দই ভাবি থাকিল: এটা হৰিণাৰ মৃত্যুৱে ৰজাক ইমান চিন্তিত কৰি তুলিছে কিয়? আৰু—তেওঁৰ পুত্ৰক মহামৃগৰ কবলৰপৰা ৰক্ষা কৰাত ৰজাই কিয় মোক বন্দী কৰিলে? এনে ধৰণৰ কথাবোৰ ভাবি থাকোঁতেই স্বয়ং ৰজা কাৰাগাৰত সোমাই আহিল আৰু বিনন্দক ক'লে, "চোৱা বিনন্দ, মোৰ পুত্ৰক ৰক্ষা কৰাৰ কাৰণে মই তোমাৰ ওচৰত কৃতজ্ঞ। কিন্তু মই নিৰুপায়ত পৰিছে তোমাক বন্দী কৰিলোঁ। তোমাৰ মৃত্যু মোৰ কাম্য নহয়। কিন্তু এতিয়াই তোমাক মই মুক্ত কৰিবও নোৱাৰিম। এয়া মোৰ অক্ষমতা।"

"মহাৰাজ, মোৰ অপৰাধনো কি?"

"তুমি নিশ্চয় জানা, এই ঠাই হ'ল জ্ঞানভূমি। জ্ঞানাৰ্জনৰ বাবে শিক্ষালাভ হ'ল এই ভূমিৰ ৰীতি। আৰু এই শিক্ষাৰ দেৱতা হ'ল এই মহামৃগ। এই মহামৃগ অতি পৱিত্ৰ। আমাৰ মহামৃগ হ'ল একাহাৰী, অৰ্থাৎ দিনত এসাজহে খায়। প্ৰতিদিন কোনোবা এজনক মহামৃগই

খোৱাৰ বাবে দিব লাগে। এই প্ৰথাক আমি উলংঘা কৰিব নোৱাৰোঁ। তাৰ কাৰণেহে আনকি মোৰ পৰম প্ৰিয় পুত্ৰকো মহামৃগৰ আহাৰৰ বাবে দিবলগীয়া হৈছিলোঁ।" ৰজাই ক'লে।

"এনেহেন এক ভয়াবহ মৃগ আপোনা-লোকৰ দেৱতা হ'ল কেনেকৈ? এই মৃগ দেখোন এটা ৰাক্ষস!"

"মই জনাথিনি তোমাক ক'লোঁ। মৃগ দেৱতায়েই হওক বা ৰাক্ষসেই হওক—প্ৰজাবৰ্গই মানি লৈছে যেতিয়া—মই নিৰুপায়।" ৰজাই ক'লে।

এখন্তেক ৰৈ, ৰজাই পুনৰ ক'লে, "তুমি যিহঁতক মানুহৰ ৰূপত দেখিছা, সিহঁত আচলতে ঘোঁৰাহে। আমি মন কৰিলেই ঘোঁৰাক মানুহ, মানুহকো ঘোঁৰালৈ ৰূপান্তৰিত কৰিব পাৰোঁ। এই বৈজ্ঞানিক ক্ষমতা আমাৰ আছে।"

ৰজা অলপ পৰলৈ নিমাতে থাকিল। তাৰ পাছত আকৌ ক'লে, "আমি জ্ঞান-ভূমিত কি কৰোঁ, কেনেকৈ কি হয়, সেই-বোৰৰ ভু ল'বলৈ বা পাবলৈ হ'লে মোৰ লগত আহিব লাগিব।" এই বুলি কৈ, ৰজাই খোজ ল'লে, আৰু বিনন্দয়ো ৰজাৰ পিছে পিছে গৈ থাকিল।

ৰজাই একাবেঁকা ওখোৰা-মোখৰা বাটেদি গৈ গৈ এঠাইত ৰ'লগৈ। সেই ঠাইত কিবা এটা জিলিকি আছিল। ৰজাই সেই জিলিকি থকা বস্তুটোক তিনিবাৰ পকাই দিলে। আৰু লগে লগে এখন দুৱাৰ মেল খাই পৰিল। ৰজাই ভিতৰলৈ সোমাই গৈ বিনন্দক ক'লে, "এইডোখৰ ঠাই বেলেগ ঠাই। জ্ঞানভূমিৰ ক'ত কি ঘটি আছে—ইয়াৰপৰা স্পষ্টকৈ মনিব পাৰি, বুজিব পাৰি। ইয়াত আন কোনেও নেদেখাকৈ নিজক লুকুৱাই ৰাখিব পাৰি।"

বিনন্দই ভিতৰৰ ফালে জুমি চালে। সি তাত বিভিন্ন কামত মগ্ন হৈ থকা

বহু সংখ্যক নাৰীক দেখা পালে। কিন্তু সেই নাৰীসকলে যে তাত কি কামত ইমান মগ্ন হৈ আছে, সেই কথা ঠাৱৰ কৰিব নোৱাৰিলে।"

"তেওঁলোকে কি কৰিছেনো? মই একোৱেই বুজা নাই, মহাৰাজ।" বিনন্দই ৰজাক ক'লে।

"সিহঁতি কি কাম কৰিছে—এআষাৰত ক'ব নোৱাৰি। সিহঁতি এটা-দুটা নহয়, হাজাৰবিধৰ কাম কৰি আছে। আমাৰ ঢেৰ কাম। সৌৱা চোৱা, সেইফালে গণিত শাস্ত্ৰৰ কাম চলি আছে। আমাৰ দেশত বালিৰ পৰিমাণ নহয়,ওজন নহয়, বালিৰ কণিকাৰ সংখ্যা কিমান তাৰ হিচাপ চলি আছে। ইয়াক হিচাপ বুলি নকৈ, গৱেষণা বুলিও ক'ব পাৰি।" ৰজাই ক'লে।

"বালিৰ কণিকাৰ সংখ্যা জনাৰ কি প্ৰয়োজন, মহাৰাজ!" বিস্মিত বিনন্দই ৰজাক সুধিলে।

"কি কৈছা !প্ৰয়োজন নাই ?" ৰজাই ক'লে, "জ্ঞানৰ শক্তিহে মহাশক্তি। জ্ঞান নাই যাৰ, শক্তিও নাই তাৰ। কোন-বিধৰ জ্ঞান যে কেতিয়া আৱশ্যক হ'ব—কোনে ক'ব? সৌৱা—তাত চলি আছে আটাইতকৈ উন্নত গৱেষণাৰ বিষয়ে গৱেষণাৰ কাম। আৰু সেই উন্নততম গৱেষণাৰ প্ৰতিক্ৰিয়াৰ সন্ধান।"

"কিন্তু এইবোৰ গৱেষণাৰে কি হ'ব?" বিনন্দই পুনৰ প্ৰশ্ন কৰিলে।

"চোৱা, আমি মন কৰিলে ইয়াৰে-পৰাই যিকোনো নক্ষত্ৰলৈ যাব পাৰোঁ, যিকোনো নক্ষত্ৰৰ ওপৰত অধিকাৰ স্থাপন কৰিব পাৰোঁ।" ৰজাই সহজভাৱে ক'লে।

বিনন্দই ক'লে, "অধিকাৰ স্থাপন হ'ল—নিষ্ঠুৰতাৰ নামান্তৰ।"

"সেয়ানো কি কথা!" ৰজাই গৰম হৈ বিনন্দক সুধিলে।

"চাওক, যি নক্ষত্ৰবিলাকে আমাৰ একো অনিষ্ট কৰা নাই, সিহঁতক অধিকাৰ

কৰাটো নিষ্ঠুৰতা নহয়নে, মহাৰাজ?” বিনন্দই ক'লে।

লগে লগে ৰজাই কৈ উঠিল, “তুমি নক্ষত্ৰবিলাকক যিমান সৰু-সুৰা বুলি ভাবিছা, সেইবিলাক সিমান সৰু-সুৰা নহয়। একো একোটা নক্ষত্ৰ আমাৰ পৃথিৱীতকৈয়ো বহুগুণে ডাঙৰ। আৰু তাত যে আমাতকৈ জ্ঞান-বুদ্ধিসম্পন্ন তথা অধিক শক্তিসম্পন্ন প্ৰাণী নাই—তাকো ন-দি ক'ব নোৱাৰি। সিহঁতে যিকোনো মুহূৰ্ত্ততে আমাক আক্ৰমণ কৰিবহি পাৰে। আমি আক্ৰান্ত হোৱাৰ আগতে সিহঁতক আক্ৰমণ কৰিলে কিনো জগৰ লাগিব?”

“জগৰ বা অজগৰৰ প্ৰশ্ন নহয়। প্ৰশ্ন হ'ল— ” বিনন্দই প্ৰশ্ন কৰিলে, “নিচেই কাল্পনিক বিষয় লৈ মূৰ ঘমাই অসংখ্য সাধাৰণ মানুহৰ শ্ৰম আৰু ধন ব্যয় কৰি কি লাভ? যদি আন গ্ৰহ নক্ষত্ৰতো মানুহ বা মানুহতকৈয়ো উন্নততৰ প্ৰাণী আছে—তেওঁলোকৰ সৈতে মিলা-প্ৰীতিৰে বসবাস কৰাটোৱেই সমীচীন নহয়নে? আমি যদি তেওঁলোকৰ অনিষ্ট নকৰোঁ, আমাৰ অনিষ্টও তেওঁলোকে নিশ্চয় নকৰিব।”

“চোৱা, কেৱল ভীতিয়েহে মানুহক ঐক্যবদ্ধ কৰে—মোৰ এই কথাটো মনত ৰাখিবা। ভীতি বিনে একোৱেই মানুহক একতাৰ ডোলেৰে বান্ধিব নোৱাৰে।” ৰজাই ক'লে।

বিনন্দয়ো টপৰাই কৈ উঠিল, “চোৰৰ ভয়ত মানুহ সাৱধান হয়। সেই বুলি আপোনাৰ দেশৰ প্ৰজাবৰ্গই ওৰে নিশা উজাগৰে কটায়নে? প্ৰজাবৰ্গই টোপনিত লাল-কাল নিদিয়েনে?”

“টোপনিৰ প্ৰয়োজনেইবা কি?” ৰজাই ক'ল, “মানুহে যাতে টোপনিৰ মাৰিব-লগীয়া নহয়, তাৰ বাবে আমি গৱেষণা চলাইছোঁ। যিহঁতে একেৰাহে দহ বছৰ ধৰি টোপনি নামাৰি থাকে সিহঁতক আমি

'মহামৃগ' উপাধিৰে ভূষিত কৰিছোঁ।"

"কিন্তু— " বিনন্দই দ্বিধাগ্ৰস্ত যেন হৈ ক'লে, "মানুহৰ শৰীৰৰ পক্ষে নিদ্ৰা এটা প্ৰয়োজনীয় বিষয় নহয় জানো ?"

"নিদ্ৰাবিহীন ভাৱেই মানুহে যাতে স্বাস্থ্য ঠিকেঠাকে ৰাখিব পাৰে, তাৰ বাবেও আমি গৱেষণা চলাই আছোঁ।" ৰজাই আন এফাললৈ আঙুলিয়াই বিনন্দক ক'লে, "সৌফাললৈ চোৱা, এগৰাকী পুৰোহিতে সকলোকে কেনেকৈ বিষয়বস্তু বুজাই কৈছে, শুনা।"

পুৰোহিতৰ ওচৰত বহু সংখ্যক মানুহ-মুনিহ সমৱেত হৈছিল। দেৱালত অঁকা আছিল মহামৃগৰ চিত্ৰ। এটা ওখ বেদীৰ ওপৰত থিয় হৈ পুৰোহিতে কৈ আছিল :

"আমাৰ পূজনীয় মহামৃগক যে হত্যা কৰা হৈছে, আপোনালোকে নিশ্চয় অৱগত হৈছে। আমাৰ এই পূত-পৱিত্ৰ জ্ঞান-ভূমিলৈ আহি যিটো মানুহে পূজ্যপাদ মহাজ্ঞানী মহামৃগক হত্যা কৰিলে, তাক আমি সাধাৰণ মানুহ হিচাপে গণ্য কৰিব নোৱাৰোঁ। এই পৃথিৱীত, মানুহৰ ৰূপত বাৰে বাৰে ৰাক্ষসবো আৱিৰ্ভাৱ ঘটে, সেই কথা আপোনালোকে জানেই। আমাৰ কোনোবা অজান শত্ৰুৱে যে ইয়াক ইয়ালৈ পঠাইছে, সেই কথাত তিলমানো সন্দেহ নাই। দুৰাত্মাই ৰাজকোঁৱৰক মৃত্যুৰ গৰাহৰপৰা ৰক্ষা কৰি আমাৰ সহানুভূতি পাব বুলি ভাবিছিল ; কিন্তু আমাৰ অভিপ্ৰায়ৰ প্ৰতি সন্মান জনাই আমাৰ মহাৰাজেও সেই হত্যাকাৰীক বন্দী কৰিবলৈ বাধ্য হৈছে।"

বিনন্দই ক্ৰুদ্ধ কিন্তু শান্ত-সংযত কণ্ঠেৰে ৰজাক সুধিলে, "মহাৰাজ, আপুনি সেই পুৰোহিতৰ কথাবোৰ বিশ্বাস কৰিছেনে ?"

ৰজাই বিনন্দৰ এই প্ৰশ্নৰ উত্তৰ নিদিয়াকৈ তাৰ প্ৰতি এক চেঁচা আৰু স্থিৰ দৃষ্টিৰে চাই ৰ'ল। [অহা সংখ্যাত



আপটৰ পট

প্রতিজ্ঞাবদ্ধ ৰজা বিক্রমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, তোমাৰ যুগ যুগ জোৰা বৃথা শ্রম দেখি মোৰ মনত পৰিছে ৰাক্ষসৰ দৰে শক্তিশালী এজন ৰজাৰ কথা, যিজন ৰজাই প্রতিশ্রুতি ৰক্ষাৰ বাবে প্রচণ্ড চেষ্টা কৰিও শেহান্তৰত হাঁহিয়াতৰ পাত্র হৈ পৰিছিল। এই কাহিনী শুনি তোমাৰ আন একো লাভ যদি নহয়ো; তোমাৰ পথশ্রম নিশ্চয় কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলেঃ

মাধৱশৰ্মাদেউ আছিল তেতিয়া মগধ-দেশৰ ৰজা। এদিন ছদ্মবেশত ভ্রমি

'বেতাল-কথা'

থাকোঁতে ৰজা মাধৱশৰ্মাই এক বিচিত্ৰ দৃশ্য দেখা পালে। এজোপা গছৰ তলত এটা বিৰাট শলিয়া শুই আছিল। এটা কুকুৰৰ ভয়ত এটা বোন্দা লৰা-ধপৰা কৰি আছিল। বোন্দাটো গছজোপাৰ ওচৰ পাই শলিয়াটোক দেখি অতিপাত ভয় খাই কাঁড়ৰ গতিৰে দৌৰি পলাই গ'ল।

ৰজা মাধৱশৰ্মাই ভাবিলে: মোৰ ৰাজ্যৰ এন্দুৰ-নিগনিও ইমান ডাঙৰ হ'ল যে বোন্দাবিলাকো সিহঁতৰ ভয়ত অস্থিৰ হৈছে। এই অৱস্থা নিশ্চয় মংগলজনক নহয়। কিবা এটা বিহিত-ব্যৱস্থা কৰিব লাগিব।" এই কথা ভাবিয়েই তেওঁ খাপৰপৰা তৰোৱাল উলিয়ালে।

তৰোৱাল উলিয়াই তেওঁ পুনৰ ভাবিলে: এই তৰোৱালেৰে যুদ্ধক্ষেত্ৰত মই অসংখ্যক বীৰক বধিছোঁ। সেই তৰোৱালেৰে এটা সামান্য এন্দুৰক মাৰিমনে? এই কথা ভবাৰ লগে লগে তেওঁ তেওঁৰ তৰোৱাল পুনৰ খাপৰ ভিতৰত ভৰাই থ'লে। পাছমুহূৰ্ততে তেওঁ শিল দলিয়াই শলিয়াটোক মাৰি পেলাব বুলি ভাবি শিল এটা বুটলি ল'লে। কিন্তু শলিয়াটোক টোপনি যোৱা দেখি ৰজাই ভাবিলে: নিদ্ৰিত প্ৰাণীক হত্যা কৰা উচিত নহয়। তেওঁ ভৰিৰে শলিয়াটোক হেঁচি দিলেগৈ আৰু লগে লগে শলিয়াটো এজন মানুহলৈ ৰূপান্তৰিত হ'ল। বিস্ময়ত অভিভূত ৰজাই মানুহৰূপী শলিয়াটোক সুধিলে, "তুমি কোন? শলিয়াৰ ৰূপ লৈ ইয়াত পৰি আছা কিয়?"

"মই হলোঁ ৰাক্ষস ৰজা। মোৰ নাম হ'ল—প্ৰচণ্ড। মোৰ বিৰাট দেহ তথা বিচিত্ৰ ৰূপ দেখি মানুহ ভয় খাব বুলি ভাবিহে মানুহৰ ৰূপ লৈছিলোঁ। কিন্তু—নিদ্ৰিত অৱস্থাত অন্যান্য প্ৰাণীৰ নিৰাপত্তা থকাৰ দৰে মানুহৰ নিৰাপত্তা নাই। সেইদেখিহে মই শলিয়াৰ ৰূপ লৈছিলোঁ।"

মাধৱশৰ্মাই অধিক বিস্মিত হৈ সুধিলে,

“মানুহৰ নিৰাপত্তা কিয় নাথাকিব? মই তোমাক নবধিলোঁ ; কিন্তু আন কোনোবাই তোমাক এন্দুৰৰ ৰূপত দেখা পোৱাহেঁতেন নিশ্চয় মাৰি পেলালেহেঁতেন।” এই বুলি কোৱাৰ অন্তত ৰজা মাধৱশৰ্মাই নিজৰ চিনাকি দিলে।

ৰজাৰ কথাৰ উত্তৰত ৰাক্ষসৰজা প্ৰচণ্ডই ক'লে, “ৰাক্ষসহঁতৰো এটা নিয়ম আছে। মানুহৰ ৰূপ লোৱাৰ পাছত আমাৰ ৰাক্ষসৰ শক্তি নথকা হয়; আমি হৈ পৰোঁ মানুহৰ দৰেই সাধাৰণ। পিছে—মানুহ বাদে আন প্ৰাণীৰ ৰূপ ল'লে আমাৰ বিপদৰ আশংকা নাথাকে। যি কি নহওক, তোমাৰ নিচিনা মানুহ এজনক লগ পাই মই ধন্য মানিছোঁ। কিয়নো, তুমি মানুহ নহয়, তুমি মানুহতকৈ বহুগুণে ক্ষমতাৱান।”

ৰজা মাধৱশৰ্মাই প্ৰচণ্ডক সুধিলে, “তুমি আমাৰ দেশলৈ আহিছিলা কিয়?”

“সম্ভৱতে আমাৰ ৰাক্ষস বন্ধু কেইজনমানে ভূলোকলৈ ফুৰিবলৈ গৈ তাত ভালেমান মানুহক ধৰি খালে। নৰ-ভক্ষণ আমাৰ নিয়ম-বিৰুদ্ধ নহয়। পিছে—সম্প্ৰতি নিয়মৰ কিছু কিছু পৰিৱৰ্তন কৰা হৈছে। এই পৰিৱৰ্তন অনুসাৰে ৰাক্ষসহঁতৰ আত্মৰক্ষাৰ বাবেও সদা-সৰ্বদা নৰ-ভক্ষণ উচিত নহয় আৰু কৰিব নোৱাৰে।”

মাধৱশৰ্মাই পুনৰ সুধিলে, “কথা যদি সেয়ে—তেনেহ'লে ৰাক্ষসহঁতে ভূলোকলৈ ফুৰিবলৈ আহি কেনেকৈ মানুহ ধৰি ধৰি খাই গ'ল?”

“তাকে তো ক'ব খুজিছোঁ। ৰাক্ষসহঁত ভূলোকলৈ আহিছিল, মানুহ ধৰি ধৰি খাইছিল—সকলো সঁচা কথা। পিছে—সিহঁতে যিবিলাক মানুহক খাইছিল সেইবিলাকক সিহঁতে মাৰি খোৱা নাছিল। ভূলোকৰ মানুহেহে হেনো মানুক মাৰি পেলায়। সেই মাৰি পেলোৱা মানুহবিলাককহে ফুৰিবলৈ অহা ৰাক্ষসহঁতে খাইছিল। সিহঁতৰ কথাৰ সঁচা-মিছা

জানিবলৈহে মই ইয়ালৈ আহিছিলোঁ। এতিয়া মোৰ ওচৰত সকলো কথা ফটিকৰ দৰে ফটফটীয়া হ'ল।"

"কি ফটফটীয়া হ'ল ?" মাধৱশৰ্মাই কৌতূহলৰে সুধিলে।

"ভূলোকৰ ৰজাহঁতৰ মাজতো ৰাক্ষস কিছুমান নথকা নহয়। এইবোৰ মানুহৰূপী ৰজাও ৰাক্ষসহঁতৰ দৰে নিষ্ঠুৰ, স্বাৰ্থপৰ, মূৰ্খ আৰু অহংকাৰী।" প্ৰচণ্ড ৰাক্ষসে ক'লে।

প্ৰচণ্ডৰ কথা শুনি ৰজা মাধৱশৰ্মাৰ প্ৰচণ্ড খং উঠিল। তেওঁ ক্ৰুদ্ধ কণ্ঠেৰে ক'লে, "মই স্বাৰ্থপৰ বা নিষ্ঠুৰ নহওঁ। মোৰ কথাৰ প্ৰমাণ মই এতিয়াই দিব নোৱাৰিম ; কিন্তু মই যে অসমৰ্থ বা দুৰ্বল নহওঁ তাৰ প্ৰমাণ এতিয়াই দিব পাৰোঁ। যদি প্ৰমাণ লাগে—তুমি ৰাক্ষসৰ ৰূপ লোৱা, মই তোমাক পৰাজিত কৰিম।"

"মই যেতিয়া ৰাক্ষসৰ ৰূপ ল'ম, তেতিয়া কোনো মানুহেই মোক পৰাজিত কৰিব নোৱাৰিব। মোৰ শক্তি তথা ক্ষমতা বহুগুণে বাঢ়ি যাব। পিছে—তুমি যদি অতি আগ্ৰহী হৈছা, মোৰ এই ৰূপতে মোক পৰাজিত কৰাচোন।"

মাধৱশৰ্মাদেৱে ক'লে, "মই হ'লোঁ মগধদেশৰ ৰজা। এতেকে — কোনো সাধাৰণ মানুহৰ ওপৰত অস্ত্ৰ ধাৰণ কৰাটো মোৰ পক্ষে অনুচিত কাৰ্য্য।"

"তেনেহ'লে এটা কথা কওঁ শুনা। ভূলোকত মানুহেই মানুহক হত্যা কৰা হেতুকেহে ৰাক্ষসহঁতে পুনৰ মানুহক খোৱাৰ সুবিধা পোৱা হ'ল। সেইদেখিহে আমি মাজে-মধ্যে ভূলোকলৈ আহোঁ, তোমালোকক খাওঁ। আৰু মানুহৰ লগত মানুহৰ কাজিয়া-কন্দল লগাবলৈকো আহিবলগা হওঁ। গতিকে—ভাবি চোৱা, মোৰ নিচিনা ৰাক্ষস এটাক পায়ো এৰি দিয়াটো তোমাৰ পক্ষে উচিত হ'বনে ? তাতকৈ মোক পৰাজিত কৰা, চাবা, মই তেতিয়া তোমাৰ আদেশ মতে চলিম।"

"তেনেহ'লে এইবাৰ! এইবাৰ চাই লোৱা মই কি কৰোঁ!" এই বুলি কৈয়েই ৰজাই খাপৰপৰা তৰোৱাল উলিয়ালে আৰু ৰাক্ষস প্ৰচণ্ডয়ো তাৰ তৰোৱাল উলিয়াই ৰজা মাধৱশৰ্মাৰ ওপৰত জঁপিয়াই পৰিল। বহুতোপৰলৈকে যুদ্ধ চলি থাকিল। হঠাৎ এসময়ত ৰাক্ষসটোৰ তৰোৱাল তাৰ হাতৰপৰা উফৰি পৰিল। তেতিয়া মালযুঁজ আৰম্ভ হ'ল। প্ৰচণ্ড ৰাক্ষসৰ অসীম শক্তি থকা সত্বেও ৰজা মাধৱ-শৰ্মাই প্ৰচণ্ডক প্ৰচণ্ডভাৱে থেকেচিলে।

তেতিয়া ৰাক্ষসটোৱে ৰজা মাধৱশৰ্মাক ক'লে, "তোমাৰ অপৰিসীম শক্তিৰ প্ৰমাণ পাই মই মুগ্ধ হৈছোঁ। মই তোমাৰ আদেশ পালন কৰিবলৈ প্ৰস্তুত। তোমাক কি লাগে কোৱা।" এই বুলি কৈয়েই সি বিৰাটদেহী ৰাক্ষসৰ ৰূপ ল'লে।

"মই পৃথিৱীৰ অধীশ্বৰ হ'ম, মোক যুদ্ধত সহায় কৰা। মই সমগ্ৰ পৃথিৱীত শান্তি স্থাপন কৰিবলৈ বিচাৰোঁ।" ৰজা মাধৱশৰ্মাই ক'লে।

ৰাক্ষস প্ৰচণ্ডই বিকটভাৱে হাঁহি মাৰি ক'লে, "হে ৰজা, মই তোমাক যি প্ৰতিশ্ৰুতি দিছিলোঁ, সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰা সম্ভৱ নহ'ব। মোৰ সহায় কিজানি তোমাক নালাগেও, আৰু সেই ইচ্ছাও তোমাৰ নাই। আৰু—তোমাৰ যথেষ্ট ক্ষমতাও আছে। কেৱল বুদ্ধিহে



তোমাৰ কিঞ্চিত কম।" এই বুলি কৈয়েই ৰাক্ষস প্ৰচণ্ড নিমিষতে সেই ঠাই এৰি নোহোৱা হ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, ৰাক্ষস প্ৰচণ্ডই তাৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱৰা হ'ল কিয়? মাধৱশৰ্মাই সমগ্ৰ ভূলোক অধিকাৰ কৰিলে ৰাক্ষসহঁতে আৰু নৰ-ভক্ষণ কৰিব নোৱাৰিব বুলিয়েইনে? আৰু—ৰজা মাধৱশৰ্মাৰ 'ক্ষমতা আছে কিন্তু বুদ্ধি কম' বুলিয়েইবা ৰাক্ষস প্ৰচণ্ডই কিয় কৈছিল? ৰাক্ষসটোৱে এই কথাৰে নিজৰ বুদ্ধি জাহিৰ কৰিব খুজিছিলনে? জানিও যদি সঠিককৈ উত্তৰ নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "প্ৰচণ্ড ৰাক্ষস কেৱল বুদ্ধিমন্তয়েই নাছিল, তাৰ অন্তৰখন আছিল উদাৰ। ৰাক্ষসহঁতে যাতে দুৰ্বল মানুহক ধৰি নাখায়, তাৰ বাবে সি ৰাক্ষসহঁতৰ ওপৰত কিছুমান কঠোৰ নিয়ম-নীতি আৰোপ কৰিছিল। যিজন মাধৱশৰ্মাই নিজৰ ৰাজ্যখনৰ প্ৰজাবৰ্গৰ নিৰাপত্তা দিব নোৱাৰে, সেইজন মাধৱশৰ্মাই সমগ্ৰ ভূলোকৰ নিৰাপত্তা তথা শান্তি সুনিশ্চিত কৰিব নোৱাৰিব, বুদ্ধিমান ৰাক্ষস প্ৰচণ্ডই সেই গূঢ় তথা সত্য কথাটি নিৰ্ভুলভাৱে উপলব্ধি কৰিব পাৰিছিল। এনেহেন অলপ ধতুৱা তথা আপট পট ৰজাক সহায় কৰাৰ অৰ্থ যে অনাৱশ্যক অত্যাচাৰ তথা অবিচাৰৰ নামান্তৰহে হ'বগৈ, সেই কথাটি বুজি পায়েই প্ৰচণ্ড ৰাক্ষসে ৰজা মাধৱশৰ্মাক এৰি নোহোৱা হৈছিল। তাৰ কাৰণে প্ৰচণ্ড ৰাক্ষসক নিশ্চয় নিন্দা কৰিব নোৱাৰি, তাৰ শলাগহে ল'ব পাৰি।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



যোগ্যতাৰ মূৰ

জমিদাৰ ধৰ্মৰাজৰ পৰামৰ্শদাতাৰ পদ বিচাৰি ছজন যুৱক জমিদাৰৰ কাষ চাপিল। জমিদাৰে সেই ছজনকে এটা নিৰ্দিষ্ট দিনত আহিবলৈ ক'লে।

নিৰ্দিষ্ট দিনত জমিদাৰে পৰামৰ্শদাতাৰ পদপ্ৰাৰ্থী সেই যুৱক ছজনক ক'লে, "মই যে কাব্যামোদী, তোমালোকে শুনিছাই চাগৈ। আনৰ কবিতা পঢ়ি মই যিমান আনন্দ লভোঁ, নিজে কবিতা লিখি তাতোকৈ অধিক আনন্দ পাওঁ। এয়া ধৰা—আজি ৰাতিপুৱাৰেপৰাই মোৰ মনত নানান ৰকমৰ চিন্তা সোমাইছে। সেইবোৰ চিন্তাৰ যিকোনো এটাৰে এটা কবিতা লিখিব পাৰি। লিখিছোঁও এটা। মাত্ৰ ছফাকি লিখিছোঁ। পঢ়ি শুনাওঁ বাৰু।"

ধৰ্মৰাজৰ কবিতা শুনি যুৱক ছজন নিমাতে নিবোকা হৈ থিয় হৈ থাকিল।

সিহঁতক শিলৰ মূৰ্তিৰ দৰে থিয় হৈ থকা দেখি জমিদাৰে ক'লে, "এই মুহূৰ্তত আৰু ঢেৰ কবিতা লিখাৰ মন গৈছে মোৰ। অহা বৃহস্পতিবাৰে তোমালোক আকৌ আহিবা, সেই দিনা তোমালোকৰ মাজৰপৰা এজনক মই কামত ল'ম।"

বৃহস্পতিবাৰ যুৱক ছজন পুনৰ আহিল। জমিদাৰে সিহঁতক ক'লে, "সিদিনা তোমালোকক এটা কবিতা শুনাইছিলোঁ। যিখিলা কাগজত কবিতাটো লিখিছিলোঁ, সেই কাগজখিলা হেৰাল। তোমালোকৰ মাজত এজনেও সেই কবিতাকেইফাকি মনত পেলাব পাৰিবানে বাৰু?"

সেই ছজনৰ মাজত এজন বাদে পৰস্পৰৰ মুখলৈ চালে। স্থিৰ হৈ থকা

মঙ্গীধৰ মহন্ত

যুৱকৰ নাম আছিল ৰামকীৰ্তন। ৰামকীৰ্তনে জমিদাৰক ক'লে, "আপোনাৰ কবিতাকেইফাকি মোৰ মনত আছে।" এই বুলি কৈ সি কবিতাকেইফাকি আওৰালে।

ৰামকীৰ্তনৰ এই স্মৃতিশক্তিয়ে কেৱল জমিদাৰকে নহয়, আন পাঁচজন যুৱককো অবাক কৰিলে। জমিদাৰে ৰামকীৰ্তনৰ শলাগ লৈ ক'লে, "তোমাৰ ক্ষমতাৰ সঁচাকৈয়ে তুলনা নাই।"

ৰামকীৰ্তনে ক'লে, "আপুনি অভয় দিলে মই নিৰ্ভয়ে কথা এটা ক'ব পাৰোঁ।"

"দিলোঁ অভয়, কোৱা নিৰ্ভয়ে।"

"মই যিটো কবিতা আপোনাক শুনালোঁ, সেইটো আপুনি লিখা নহয়।" ৰামকীৰ্তনে ধৰ্মৰাজৰ ৰগত ধৰিলে।

"অঁা!" ধৰ্মৰাজে সেপ ঢুকি কৈ উঠিল, "মই লিখা নহয়? কোনে লিখা?"

"এই কবিতাফাকি মই মোৰ আইতাৰাৰ মুখত শুনিছিলোঁ। তেতিয়া তেওঁ আছিল আশী বছৰীয়া, আৰু মই পাঁচ বছৰীয়া।" ৰামকীৰ্তনে ক'লে।

এইবাৰ জমিদাৰে হো হোৱাই হাঁহি উঠি ক'লে, "তোমাৰ স্মৃতিশক্তিৰ জবাব নাই, ৰামকীৰ্তন। সঁচা কথা, এই কবিতাটো মই লিখা নাছিলোঁ। তোমালোকৰ স্মৃতিশক্তিৰ তথা যোগ্যতাৰ পৰীক্ষা ল'বলৈহে মই এই কবিতাটো তোমালোকক সিদিনা পঢ়ি শুনাইছিলোঁ। তুমি যে তোমাৰ পাঁচ বছৰ বয়সত শুনা কবিতা এটা মনত ৰাখিব পাৰিছা—এই কথা ভাবিলেও ভাল লাগি যায়। আন এটা কথাতো মই তোমাক ভাল পাইছোঁ। তুমি অপ্ৰিয় সত্য কথা ক'বলৈকো ভয় নকৰা। চাকৰিটো নাপাবা—এই কথা জানিও মোক তুমি পদে-প্ৰমাণে ক'লা যে কবিতাটো মই লিখা নহয়! তোমাক মই আজিৰেপৰাই মোৰ পৰামৰ্শদাতাৰ পদত নিযুক্ত কৰিলোঁ।"



কাব্য-কথা

শকুন্তলা-১

তেতিয়া হস্তিনাপুৰৰ ৰজা আছিল দুষ্মন্ত। এদিন চিকাৰলৈ ওলাই দুষ্মন্ত গভীৰ বনলৈ সোমাই গ'ল। তাত কণ্বমুনিৰ আশ্ৰম থকা বুলি শুনি কণ্বমুনিৰ দৰ্শন লাভৰ বাবে দুষ্মন্ত মুনিৰ আশ্ৰমলৈ গ'ল।

দুষ্মন্ত যেতিয়া আশ্ৰম পালেগৈ, তেতিয়া শকুন্তলাই মুনিকন্যাইতৰ সৈতে খেল-ধেমালি কৰি আছিল। এজনী পখিলা শকুন্তলাৰ গাত বাৰে বাৰে উৰি অহা দেখি মুনিকন্যা এজনীয়ে ক'লে' "এইজনী পখিলাক কোনোবা ৰজাইহে খেদিব পাৰিব যেন পাইছোঁ ; নহ'লে দুগুচে।"

এই কথাখিনি ৰজা দুষ্মন্তয়ো শুনিলে। ছোৱালী কেইজনীয়ে তাত অচিনাকি দুষ্মন্তক দেখি অতিপাত বিস্মিত হ'ল। কণ্বমুনি তেতিয়া আশ্ৰমত নাছিল। গতিকে—সেই ছোৱালী কেইজনীয়েই দুষ্মন্তক যথাযোগ্যভাৱে আদৰিলে।

সিইতে ৰজা দুষ্মন্তক ফল খাবলৈ দিলে, ফুলেৰে ধুনীয়াকৈ বৰিলে, যথাযোগ্যভাৱে জিৰণিৰ বন্দৱস্ত কৰিলে। ইপিনে ৰজা দুষ্মন্ত শকুন্তলাৰ ৰূপমুগ্ধ হৈ পৰিল।



আশ্ৰমৰ অ'ত ত'ত কেইজনীমান হৰিণা ঘূৰি ফুৰিছিল। কেৱল হৰিণাই নহয়, তাত হস্তী আৰু অন্যান্য পশু-পক্ষীও বিস্তৰ আছিল। এইবোৰ চাই চাই ৰজা দুষ্মন্ত আশ্ৰমতে নিদ্ৰিত হৈ পৰিল।

কেইদিনমান আশ্ৰমতে অতিবাহিত কৰাৰ অন্তত দুষ্মন্তই শকুন্তলাক বিবাহ কৰাবলৈ ইচ্ছা প্ৰকাশ কৰিলে। কিন্তু কণ্বমুনি তেতিয়ালৈকো আশ্ৰমলৈ উভতি অহা নাছিল। তথাপি. ৰজা দুষ্মন্তৰ আন্তৰিকতালৈ লক্ষ্য কৰি শকুন্তলাও এই প্ৰস্তাৱত সন্মত হ'ল। তাৰ পাছত গন্ধৰ্বমতে দুষ্মন্তই শকুন্তলাক বিবাহ কৰালে।

ৰাজধানী পাই ৰজা দুষ্মন্ত ৰাজকাৰ্য্যত ব্যস্ত হৈ পৰিল। ৰজা দুষ্মন্তই এটা আংঠি শকুন্তলাক পিন্ধাই থৈ গৈছিল আৰু কন্বমুনি আশ্ৰমলৈ উভতি অহাৰ পাছত তেওঁৰ অনুমতি লৈ শকুন্তলাক ৰাজধানীলৈ লৈ যাব বুলি কৈ গৈছিল।

শকুন্তলাক এৰি থৈ আশ্ৰমৰপৰা নিজৰ ৰাজধানীলৈ যোৱাৰ সময়ত বেদনাময় দৃশ্যৰ অৱতাৰণা হৈছিল। শকুন্তলাক এৰি যাবলৈ ৰজা দুষ্মন্তৰ অপাৰ কষ্ট, শকুন্তলাৰো কষ্ট; কিন্তু কন্বমুনিৰ অনুমতি বিনে সেই আশ্ৰম তিয়াগি হস্তীনাপুৰলৈ লৈ যোৱা সম্ভৱ নাছিল।



ভালেমান দিনৰ অন্তত কন্বমুনি আশ্ৰমলৈ উভতি আহিল। মুনিক যে কেনেকৈ কি ক'ব—সেই কথা ভাবি উলিয়াব নোৱাৰি ভীতা শকুন্তলা মুনিৰ শ্ৰীচৰণত দীঘল দি পৰিল। [অহা সংখ্যাত]

জীৱনৰ গুৰু-ঘাত

মূটা তাৰ একেবাৰে পকাবন্ধা। তাৰ মূৰৰ ভিতৰেদি গৈ মগজুত একো এটাও সোমাবৰ সন্ধি নাই। গুৰু-কুলৰ অন্যান্য ছাত্ৰক শিকোৱা-বুজোৱাৰ দৰে গুৰুৱে তাকো শিকাই-বুজাই দিছিল; কিন্তু পৰীক্ষাত সি কৃতকাৰ্য্য হ'ব নোৱাৰিলে। পৰীক্ষাৰ অন্তত, ঘৰলৈ উভতি যোৱাৰ আগে আগে গুৰুৱে তাক ক'লে, "বোপা, তোমাৰ সহাপাঠীহঁত পৰীক্ষাত উত্তীৰ্ণ হৈ উভতি গ'ল। তোমাৰ, আৰু লগতে মোৰো দুৰ্ভাগ্য, তোমাক মই পণ্ডিত কৰিব নোৱাৰিলোঁ। পিছে— মই তোমাক তিনিষাৰ কথা ক'ম। এই কথা তিনিষাৰ যদি মন্ত্ৰৰ দৰে ব্যৱহাৰ কৰিব পাৰা, আখৰে আখৰে মানি চলিব পাৰা, তুমিও জীৱনত একেবাৰে পৰি মৰা বিধৰ নহ'বা। এই কথা তিনিষাৰ হ'ল ঃ

আগুৱালে গৈ পাবা।
সুধিলেহে জানিবা।
সাৰে থাকিলে সাৰিবা।"

গুৰুৱে কোৱা বচন তিনিষাৰ মন্ত্ৰৰ দৰে আওৰাই সেই দুখীয়া ছাত্ৰজন ঘৰমুৱা হ'ল। অলপ দূৰলৈ যোৱাৰ অন্তত হঠাৎ তাৰ মন গ'ল বেদৱতী নগৰ দৰ্শন কৰাৰ। কিন্তু বেদৱতী নগৰখন যে ক'ত, সেই কথা সি নাজানে। তথাপি সি আগুৱাই গৈ থাকিল আৰু-তাক সুধি সুধি।

বেদৱতী নগৰখন যে নিচেই ওচৰত নহয়, সেই কথা সি জানিছিল। কিন্তু গাড়ীত উঠি বেদৱতী নগৰলৈ যোৱাৰ জোখাৰে পইচা-পাতি তাৰ নাছিল। গতিকে সি দিনৰ পাছত দিন ধৰি খোজ

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

কাঢ়ি কাঢ়ি আগুৱাই গৈ থাকিল···গৈয়েই থাকিল। আৰু এইদৰে আগুৱাই গৈ গৈ এদিন সি সেই বেদৱতী নগৰ পালেগৈ। আৰু নগৰখনত ভৰি দিয়েই তাৰ মনত পৰিল গুৰুৱে কোৱা কথাষাৰ ঃ আগুৱালে গৈ পাবা। সিও আগুৱাই গৈ গৈ এতিয়া পাইছেহি! গুৰুৰ কথা আখৰে আখৰে সঁচা।

বেদৱতী নগৰখন আছিল বিৰাট নগৰ। এই নগৰত কিবা কাম পাবলৈ সি চেষ্টা কৰি থাকিল। কিছুদিনৰ চেষ্টাত সি সৰুসুৰা কাম এটা পালেও। কামটো পোৱাৰ পাছত সি আক-তাক-সকলোকে এই নগৰখনৰ বিষয়ে নানান কথা সুধি থাকিল। আৰু এদিন সি এই প্ৰাচীন নগৰখনৰ সম্পৰ্কে সুধি সুধি বহু কথা জানি ল'লে, নগৰখনৰ সম্পৰ্কে বিশেষজ্ঞ হৈ পৰিল সি।

এদিন সি এটা বিচিত্ৰ বিষয়ৰ কথা জানিলে। বিষয়টো হ'ল ঃ

বেদৱতীৰ নগৰখন এগৰাকী ৰাণীয়ে শাসন কৰে। এইগৰাকী ৰাণীয়ে পাঁচ-ছবাৰমান বিয়া কৰালে, তথাপি তেওঁ হেনো কুমাৰী হৈয়েই আছে। কিয়নো, এইগৰাকী ৰাণীক যিজনে বিয়া কৰায়, বিয়াৰ পাছত ৰাণীৰ কক্ষত তথা শয্যাত শোৱাৰ লগে লগেই হেনো স্বামীৰ মৃত্যু হয়। এইদৰে পাঁচ-ছজন ৰাজকোঁৱৰৰ মৃত্যু হ'ল। তাৰ পাছৰপৰা আন কোনেও এইজনীক বিয়া কৰাবলৈ আগবাঢ়ি অহা নাছিল।

এইবাৰ বহু চেষ্টাৰ অন্ততো যেতিয়া ৰাণীৰ বিয়া পতাৰ ব্যৱস্থা কৰিব পৰা নহ'ল, তেতিয়া ৰাণীৰ মন্ত্ৰীবৰ্গই ঘোষণা কৰিলে যে—ৰাণীক যিজনে বিবাহ কৰাব সেইজনক এই নগৰৰ ৰজা পতা হ'ব। কিন্তু তথাপি ইমান লোভনীয় ঘোষণা শুনিও কোনো আগবাঢ়ি নাহিল।

তেতিয়া এই দুখীৰো দুখী ছাত্ৰজনৰ

মনত পৰিল তাৰ গুৰুৱে কোৱা শেষ কথাষাৰ ঃ সাৰে থাকিলে সাৰিবা।

গুৰুৰ বচন সাৰোগত কৰি সি ৰাণীক বিয়া কৰাবলৈ খাটাং কৰি ৰাজসভালৈ গ'ল আৰু মন্ত্ৰীবৰ্গক তাৰ অভিপ্ৰায়ৰ কথা ক'লেগৈ।

তাৰ পাছত—এক নিৰ্দিষ্ট দিনত এই দুখীয়া ছাত্ৰটিৰ সৈতে ৰাণীৰ বিয়া যথাযথ সমাৰোহেৰে সম্পন্ন কৰা হ'ল।

বিয়াৰ অন্তত ৰাণীৰ কক্ষৰ এচুকত মংগল-চিন হিচাপে ৰাখি থোৱা কলগছ একোপা দেখা পাই, সেইজোপা বিছনাৰ ওপৰত মানুহৰ দৰে শোৱাই কাপোৰেৰে ঢাকি থ'লে আৰু সি নিজে কক্ষৰ এচুকত চকা-চুদা পোহৰৰ আঁৰত বৈ থাকি কি হয়-নহয়, লক্ষ্য কৰিবলৈ ধৰিলে।

কক্ষৰ দুৱাৰ বন্ধ হ'ল। আৰু লগে লগে এটা ভয়ানক বিষধৰ সাপ বিছনাৰ ওপৰলে বগাই উঠি ফেঁট মেলি সেই ঢাকি থোৱা কলজোপাক সজোৰে খুটিলে। আৰু সদ্যবিবাহিত ছাত্ৰটিয়ে বিজুলী গতিৰে আগুৱাই আহি তৰোৱালেৰে সেই ভয়ংকৰ সাপটোক দুছোৱা কৰি পেলালে। তাৰ পাছত, কলজোপাক আগৰ দৰে যথাস্থানত থৈ, মৰা সাপটোক বাহিৰলৈ দলিয়াই পেলাই সি নিঃচিন্ত মনেৰে টোপনিত লাল-কাল দিলে।

পাছদিনা, মন্ত্ৰীবৰ্গই এই অচিনাকি যুৱকক জীয়া অৱস্থাত দেখা পাই বিস্মিত আৰু লগতে আনন্দিতো হ'ল। পাছদিনাই এই ছাত্ৰ তথা যুৱকক সিংহাসনত অধিষ্ঠিত কৰি বেদৱতীৰ ৰজা হিচাপে সগৌৰৱে ঘোষণা কৰা হ'ল।

পঢ়া-লিখাত বৰ বেছি উন্নতি কৰিব নোৱাৰিলেও এই ছাত্ৰজনে গুৰুৰ বচন আখৰে আখৰে মানি তথা পালন কৰি সুনামেৰে সৈতে বেদৱতীনগৰ শাসন তথা প্ৰজাৰ মৰম আৰ্জিব পাৰিছিল।



ঘোচাম-গাঁঠি

শত্ৰুৰ ভয়ত শ্ৰীপুৰৰ ৰজাৰ ঠৰ লাগিল। শত্ৰুৰ কবলৰপৰা ৰাজধানী ৰক্ষাৰ বাবে তেওঁ ৰাজধানীৰ চাৰিওফালে শিলেৰে প্ৰাচীৰ নিৰ্মাণ কৰিলে। প্ৰাচীৰ কেনে মজবুত হৈছে—তাৰ পৰীক্ষা কৰি চাবলৈ হাতীৰদ্বাৰা ঠেলি-হেঁচুকি পৰীক্ষা কৰোৱালে. ডাঙৰ ডাঙৰ হাতুৰীৰে উবাই-ঘূৰাই কোবাই চালে আৰু তেতিয়াহে ৰজা তুষ্ট হ'ল।

এদিন ৰজাই গৰ্বেৰে সৈতে তেওঁৰ সেনাপতিক ক'লে, "কোনো শত্ৰু আৰু কেতিয়াও আমাৰ ৰাজধানীলৈ সোমাবহি নোৱাৰে।"

ৰজাৰ কথা শুনি সেনাপতিয়ে ভুৰু কোঁচালে, মহামন্ত্ৰীয়ে মোচতে হাঁহিলে।

এনিশা ৰজা আৰু মহামন্ত্ৰীয়ে ছদ্মবেশ ধাৰণ কৰি ৰাজধানীলৈ সোমোৱাৰ লৌহ-তোৰণৰ ওপৰত থিয় হ'লহি। তোৰণৰ প্ৰহৰীক তোৰণ-দ্বাৰ খুলি দিবলৈ কোৱা হ'ল। প্ৰহৰীয়ে ক'লে, "সেনাপতিৰ বিশেষ অনুমতি নোহোৱাকৈ বেলি লহিউৱাৰ পাছত কোনেও ৰাজধানীলৈ সোমাব বা ৰাজধানীৰপৰা ওলাব নোৱাৰে।

ছদ্মবেশী মহামন্ত্ৰীয়ে প্ৰহৰীক ইচাৰাৰে মাতি আনি, তাৰ হাতত একুৰি সোণৰ মুদ্ৰা দিলে আৰু ক'লে, "বিশেষ প্ৰয়োজনত আমি নগ'লেই নহ'ব।"

তেতিয়া প্ৰহৰীয়ে সেই বিৰাট লৌহ-কপাট খুলি দিলে।

এইবোৰ কাণ্ড দেখি প্ৰচণ্ড অবাক হৈ পৰা ৰজাক মহামন্ত্ৰীয়ে ক'লে, "মহাৰাজ, যি দুৱাৰ হস্তীয়ে ভাঙিব নোৱাৰে, ডাঙৰ ডাঙৰ হাতুৰীয়ে টুকুৰা কৰিব নোৱাৰে, বিমান সহজভাৱে সেই দুৱাৰ খোল খাই গ'ল দেখিলেনে ? ঘোচেই হ'ল আজিৰ যুগৰ ঘোচাম-গাঁঠি !"

৬

কুম্ভকৰ দল-বলৰ অত্যাচাৰ-অনাচাৰ সহিব নোৱাৰি প্ৰজাবৰ্গই বাৰে বাৰে অভিযোগ কৰাত মিথিলাৰ ৰজাই কুম্ভকক মতাই অনাই তাক ক'লে "তোমাৰ বলধবিলাকৰ অত্যাচাৰ আমাৰ প্ৰজাই আৰু সহিব নোৱৰা হৈছে। তুমি তোমাৰ বলধ-বাহিনীক ইয়াৰপৰা খেদিবা আৰু খেদিব নোৱাৰা যদি, তেনেহ'লে বাধ্যত পৰি মই সেইবিলাক অত্যাচাৰী-অনাচাৰী বলধক খেদিবৰ বা বধিবৰ ব্যৱস্থা অৱশ্যেই কৰিম।"

মিথিলাৰ ৰজাৰ এই কথাৰ উত্তৰত কি ক'ব-নক'ব, কি কৰিব-নকৰিব, কুম্ভকে ভাবি উলিয়াব নোৱৰা হ'ল। যিবোৰ ষাঁড়-বলধৰ বিৰুদ্ধে অভিযোগ, কুম্ভকে যে সেইবোৰক সেও কৰিব নোৱাৰিব, সেই কথাত তেওঁ নিঃসন্দেহ। বৰঞ্চ সিহঁতক কিবা ক'লে-কৰিলে বিপদ বাঢ়িবহে। এনেকুৱা অসহায় অৱস্থাৰপৰা মুক্তি পাবলৈ কুম্ভকে ঘোষণা কৰিলে যে এই সমস্যাৰ সমাধান কৰিব পৰাজনৰ সৈতে তেওঁ তেওঁৰ কন্যা নীলাৰ বিবাহ পাতি দিব।

এই ঘোষণা শুনি দূৰ-দূৰণিৰ গৰখীয়াহঁতে ভাবিলে: গাই-গৰু ষাঁড়-বলধবিলাকক সেও মনোৱা আমাৰ পক্ষে কোনো কামেই নহয়। এজন গৰখীয়াই ক'লে, "মই সেইবোৰৰ নাকত ধৰি চাকত ঘূৰাম, তেহে মোৰ নাম হৰিৰাম।" আন

এজন গৰখীয়াই কৈ উঠিল, "বোলোঁ ঐ— বলধৰো বলধ, বলধৰ নাকত ধৰিবলৈ গ'লে তোৰ নিজৰ নাকৰ ওপৰত নহাত পানী নহ'বনে ? শিঙত ধৰিবি বুলি ক'। গাই-বলদৰ নাকত ধৰিলে সিহঁত আৰু নাবাঁচে।" আন কেইবাটাও গৰখীয়াই ক'লে, "ঈঃ! থ থ, বলধৰ কথাত ইমান বেল-বেলাই নাথাকিলেও হ'বচোন। বলধবোৰনো আমাৰ আগত কি? বলধবিলাকক বাংপিটা দি পোনাম দে।"

সেই বলদ-যাঁড়বিলাকৰ বিষয়ে সবিস্তাৰে জনাৰ অশুত অৱস্থাৰ গুৰুত্ব বুজি, এই অৱস্থাৰ প্ৰতিকাৰাৰ্থে নন্দ, যশোদা আৰু কৃষ্ণ-বলৰামো তালৈ ৰাওনা হ'ল।

কুম্ভকে নিজৰ বায়েক-ভিনিহীয়েকক মাতি আনিবলৈ গ'ল। কুম্ভকৰ পত্নী ধৰ্মদাই যথাযোগ্য মৰ্য্যাদাৰে যশোদাক আদৰিলে। কুম্ভকৰ পুত্ৰ শ্ৰীধামে কৃষ্ণ-বলৰামক আথেবেথে বহুৰাই পৰিত্ৰ মনেৰে ভোজন কৰালে।

সিদিনাই ৰাতিৰ পৰতে অত্যাচাৰী বলধবিলাকে বুজি পালে যে ইয়াত স্বয়ং কৃষ্ণ আবিৰ্ভূত হৈছে। তেতিয়া বলধবিলাকে গাইবিলাকক শিঙেৰে খুচি ক্ষত-বিক্ষত কৰি পেলালে। মাথোন সিমানেই নহয়, তাত থকা ল'ৰা-ছোৱালী বুঢ়া-মেথা তিৰোতাহঁতকো শিঙেৰে খুচি খুচি এক আতংকগ্ৰস্ত অৱস্থাৰ সৃষ্টি কৰিলে।

ৰাতিপুৱা কুম্ভকে প্ৰতিটো গাই-গৰু যাঁড়-বলধক মতাই অনাই নিজৰ ছোৱালী-জনীক সজাই-পৰাই কাষতে থিয় কৰাই লৈ ক'লে, "মোৰ গৰখীয়া ভাইহঁত, এই যাঁড়-বলধবিলাক যে দিনে দিনে অত্যাচাৰী হৈ উঠিছে, তোমালোকে সেই কথালৈ নিশ্চয় মন কৰিছা। ইহঁতক সংযত কৰাবলৈ, সেও মনাবলৈ, বা দমন কৰিবলৈ যিবোৰ চেষ্টা কৰা হৈছে, সেইবোৰ ব্যৰ্থ হ'ল। আমি বাৰে বাৰে ব্যৰ্থ হ'লে ৰজাই আমাক কঠোৰ দণ্ডৰে দণ্ডিত কৰিব।

সেয়েহে, তোমালোকৰ মাজত যিসকলৰ ক্ষমতা আছে, আগবাঢ়ি আহাঁ। তোমালোকৰ মাজত যিজনে এই কামত নেতৃত্ব দিবা, অৰ্থাৎ যিজনৰ নেতৃত্বত প্ৰজাবৰ্গ ৰেহাই পাব, সেইজনৰ সৈতে মই মোৰ এই ছোৱালীজনীৰ বিয়া পাতি দিম।”

কুম্ভকৰ কথা শুনি গৰখীয়াইঁতে কথাটো বিভিন্ন দিশৰপৰা ভাবি চোৱা হ’ল। নীলালৈ চাই সিহঁতৰ মনত যি আবেগ সঞ্চাৰিত হৈছিল, হিংস্ৰ ষাঁড়-বলধবিলাকলৈ চাই চাই আবেগ কৰ্পূৰৰ দৰে উৰি যোৱা যেন লাগিল। এনেবোৰ ভয়ানক হিংস্ৰ ষাঁড়-বলদবিলাকক জব্দ কৰাৰ কথাত আটাইবোৰৰ পেটত হাত-ভৰি লুকোৱা যেন হ’ল।

আৰু ঠিক তেতিয়াই আগুৱাই আহিল ঘোষৰন্ত। ঘোষৰন্তই ক’লে, “এই হিংস্ৰ বলধবিলাকক যদি মই মাৰি পেলাব নোৱাৰোঁ, তেনেহ’লে মোৰ জীৱন বৃথা।” এই বুলি কৈয়েই ঘোষৰন্তই তাত থকা এটা বিকটাকাৰ বলদৰ মূৰত প্ৰচণ্ড ভুকু এটা শোধালে। ঘোষৰন্তৰ লগৰীয়াইঁত গছৰ ওপৰত বহি সকলো কথালৈ-কাণলৈ লক্ষ্য কৰি আছিল। হিংস্ৰ বলদটোৰ মূৰত এমাৰ মৰাৰ লগে লগে সিহঁতে আনন্দত হাত-চাপৰি বজালে। যিবোৰ গৰখীয়া আছিল অতিপাত ভয়-পাতুৰা, সিহঁতে খৰকৈ গছৰ মূধলৈ উঠি আনন্দত জঁপিয়াবলৈ ধৰিলে। ঘোষৰন্তৰ চাৰিওফালে বলদবোৰ আগুৱাই আহিল। যেনিবা সেইবোৰে নিজৰ অপৰাধ স্বীকাৰ কৰিব। সাতটা বলদে ঘোষৰন্তক ক’লে, “আপুনি আমাক দয়া কৰি নামাৰিব, আপোনাৰ ওচৰত আমি আত্মসৰ্পণ কৰিছোঁ।”

এই কথা শুনি ঘোষৰন্তই যেতিয়া সন্তুষ্টি প্ৰকাশ কৰিলে, ঠিক তেতিয়াই সেই সাতোটা হিংস্ৰ বলদে ঘোষৰন্তক জোঙা জোঙা শিঙেৰে খুচিবলৈ-হেঁচিবলৈ ধৰিলে। এনে অতৰ্কিত আক্ৰমণৰ বাবে



ঘোৰৰন্ত প্ৰস্তুত নাছিল। এই সাতোটা বলদ আচলতে আছিল সাতটা হিংস্ৰ অতিপাত অত্যাচাৰী ৰাক্ষসহে !

এই বলদৰূপী ৰাক্ষসবিলাকৰ অত-পালি দেখি কৃষ্ণই বলৰামক ক'লে, "বলৰাম, মই যদি এতিয়াই কিবা এটা ব্যৱস্থা নলওঁ, তেহে'লে কুন্তকে ইহঁতক একোপধ্যে জব্দ কৰিব নোৱাৰিব। বলদ-ৰূপী ৰাক্ষসহঁতৰ অত্যাচাৰৰপৰা মানুহক ৰক্ষা কৰিব লাগিব। জানি-বুজিও একো প্ৰতিকাৰ নকৰোঁ যদি, আগলৈ মোৰো ক্ষমা নাই।" এই বুলি কৈ কৃষ্ণ যেতিয়া সেই ভয়ংকৰ হিংস্ৰ বলদবিলাকলৈ আগুৱাই গৈ থাকিল, তেতিয়া নন্দ আৰু যশোদাই কাতৰ কণ্ঠেৰে কৃষ্ণক ক'লে, "বোপা, নাযাবি—নাযাবি বোপা ঐ !"

কিন্তু এই কাতৰ কণ্ঠলৈ কৃষ্ণই ঘূৰিও নাচালে। কৃষ্ণ দৃঢ় পদক্ষেপেৰে আগুৱাই গৈ থাকিল। আৰু চাওঁতে চাওঁতে বলদ-বিলাকেও কৃষ্ণক আক্ৰমণ কৰিবলৈ একে-লগে জঁপিয়াই পৰিল। কৃষ্ণই কোনোটোক শিঙত ধৰি মুচৰি, কোনোবাটোক নেগুৰত ধৰি পকাই দলিৰ দৰে ওফৰাই পেলালে। কোনোবাটোক আন এটা বলদৰ গাত থেকেচি মাৰি পেলাবলৈ ধৰিলে।

আঁতৰত জুম বান্ধি থিয় হৈ যিসকলে এই দৃশ্য উপভোগ কৰি আছিল, সিসকলৰ মাজত নীলাও সলজ্জ ভংগীমাৰে থিয় হৈ আছিল। কৃষ্ণৰ অসীম ক্ষমতা দেখি নীলা অপলক মুগ্ধ দৃষ্টিৰে কৃষ্ণলৈ চাই থাকিল।

এটাৰ পিছত আনটোকৈ হিংস্ৰ ষাঁড়-বলদবিলাকক মাৰি পেলোৱাত, কৃষ্ণৰ ক্ষমতাৰ কথা ভাবি সকলোটি হতবাক হ'ল। কৃষ্ণৰ কিন্তু ভ্ৰূক্ষেপেই নাই। এয়া যেন কৃষ্ণৰ এক ল'ৰা-ধেমালিহে !

আটাইবোৰ হিংস্ৰ বলদ নিহত হোৱাৰ অন্তত নন্দ আৰু যশোদাই দৌৰি আহি কৃষ্ণক আঁকোৱালি ল'লে। তাৰ পাছত কুন্তকে নীলাৰ হাতখন কৃষ্ণৰ হাতত


Sankar

থৈ ক'লে "কৃষ্ণ, এয়া তোমাৰ অপাৰ সাহসৰ অপত্য উপহাৰ।"

তাৰ পাছত কৃষ্ণ আৰু যশোদাক নৱ বস্ত্ৰেৰে সজ্জিত কৰি কুম্ভকে নন্দক ক'লে, "ককাইদেউ, তোমাৰ পুত্ৰৰ অসীম সাহসিকতাৰ ফলতহে আমি অত্যাচাৰী ৰাক্ষসবিলাকৰ গৰাহৰপৰা ৰক্ষা পৰিলোঁ, প্ৰজাৰ ওচৰত আমাৰ মুখৰক্ষা হ'ল। এতিয়াৰপৰা আমি নিঃচিন্ত মনেৰে কাম-বন শোৱন-খাৱন কৰিব পাৰিম। নীলাক মই কেইবা সহস্ৰ গাভী দিম। এই বিষয়ত মোক 'নহয়' বুলি ক'লেও মই নুশুনো। এইবোৰ গাভী সন্তুষ্ট মনেৰে উপহাৰস্বৰূপে গ্ৰহণ কৰিব লাগিব।"

নন্দই ক'লে, "মোৰ কিবা গাভীৰ অভাৱ হৈছেনে? কৃষ্ণ ওপজাৰেপৰাই মোৰ গাভীৰ সংখ্যা ক্ৰমাত বাঢ়ি গৈছে। গাভী-বিলাকে আগৰ তুলনাত অধিকতকৈ অধিক গাখীৰো দিয়া হৈছে। আমাৰ অভাৱ-অনাটন নাই।"

তেতিয়াৰপৰা নন্দ, যশোদা, নীলা আৰু শ্ৰীধামেও কৃষ্ণৰ সৈতে সুখেৰে দিন নিয়াইছিল। কৃষ্ণ এতিয়া কৈশোৰ পাৰ হ'ল, যৌৱনত ভৰি দিলে। কৃষ্ণই বাছকবনীয়া সাজ-পাৰ পিন্ধি মস্তকত ম'ৰা চৰাইৰ পাখি গুজি ল'লে, ডিঙিত ওলোমাই ল'লে ফুলমালা।

এদিন এজাক গাভী চৰাবলৈ বলৰাম গ'ল যমুনাৰ তীৰলৈ। গাভীবোৰ চৰি ফুৰিছিল। তাত এজোপা বিৰাট বৰগছ আছিল। সেই বৰগছজোপাৰ তলত বহি অন্যান্য গৰখীয়াৰ সৈতে কৃষ্ণ আৰু লগতে বলৰামো খেলি আছিল।

তেতিয়া ৰামদেৱ আৰু ভৰদ্বাজ মুনিদ্বয়ে তীৰ্থযাত্ৰা সামৰি যমুনাৰ তীৰস্থ সেই বটবৃক্ষ প্ৰদক্ষিণ কৰাৰ অন্তত প্ৰণাম কৰিলেগৈ। প্ৰণাম কৰাৰ অন্তত ৰামদেৱ আৰু ভৰদ্বাজ মুনিদ্বয়ে গৰখীয়া ল'ৰা-হঁতক ক'লে, "বোপাহঁত, ইয়াত নিৰাপদে

স্নান কৰিব পাৰিনে ? কিয়নো—কোনো কোনো নৈত সৰ্প-কুম্ভীৰাদিও থাকে।"

গৰখীয়া ল'ৰাইঁতে পৰস্পৰলৈ চালে। এই প্ৰশ্নৰ যে কি উত্তৰ দিব—সিহঁতে ভাবি নাপালে। এই অৱস্থা দেখি কৃষ্ণ আগুৱাই আহিল আৰু বামদেৱ-ভৰদ্বাজ মুনিদ্বয়ক কৃষ্ণই ক'লে, "হে মুনিশ্বৰদ্বয় ! কোন নদীৰ পানীত কি আছে কি নাই, সেই কথা ইহঁতে ক'ব নোৱাৰিব। নিৰাপদ হয়নে নহয়, তাকো ক'ব নোৱাৰিব। মই আপোনালোকক ভালৰো ভাল নৈ এখন দেখুৱাম। সেই নৈত স্নান সমাপন কৰি আপোনালোক পুনৰ ইয়ালৈ আহিব, আৰু গাখীৰেৰে প্ৰস্তুত কৰা খাদ্য খাবহি। মই নন্দৰ পুত্ৰ কৃষ্ণ। এওঁ মোৰ জ্যেষ্ঠভ্ৰাতা, এওঁৰ নাম বলৰাম।"

মুনিদ্বয়ে কৃষ্ণৰ সাৰলীলতালৈ লক্ষ্য কৰি মুগ্ধ হৈ ভাবিলে : এনে সাধাৰণ গৰখীয়া বালকহঁতৰ মাজত ইমান সপ্ৰতিভ ল'ৰা এটি আহিল কেনেকৈ ? তেওঁলোকে তেওঁলোকৰ তপস্যাশক্তি প্ৰয়োগ কৰি কৃষ্ণৰ ক্ষমতাৰ বিষয়ে জ্ঞাত হোৱাৰ পাছত ক'লে, "হে কৃষ্ণ ! ব্ৰহ্মা আৰু অন্যান্য দেৱতায়ো হাজাৰ চেষ্টাতো তোমাৰ দৰ্শন পোৱা নাই। আৰু—আমি কিমান সহজতে তোমাৰ দৰ্শন পালোঁ ! আমাৰ জন্মগ্ৰহণ আজিহে



সাৰ্থক হ'ল। যি ভাগ্যৱন্ত জনক-জননীয়ে তোমাক পালে, তেওঁলোকো চিৰ-নমস্য।" এইবোৰ কথা কোৱাৰ অন্তত মুনিদ্বয় তাৰপৰা গুচি গ'ল।

এইদৰে নানান ঘটনা ঘাত-প্ৰতিঘাতৰ মাজেদি কৃষ্ণৰ জীৱন অতিবাহিত হৈ আছিল। বলৰামৰ জীৱনো গৰখীয়াহঁতৰ সৈতে ভালেই কাটিছিল।

এদিন, যমুনা নৈত বহু দূৰলৈকে যোৱাৰ পাছত কৃষ্ণই এক বিচিত্ৰ-ভয়ংকৰ হ্ৰদ দেখা পালে। হ্ৰদটো আছিল অতি প্ৰকাণ্ড। এই হ্ৰদৰ পানীত সাগৰৰ দৰে ঢৌ বাগৰি পৰিছিল। কিন্তু এই হ্ৰদৰ

তীৰৱৰ্তী ঠাইবোৰ আছিল অতি উত্তপ্ত, আৰু সেই কাৰণে তাত আনকি এটা চৰাই-চিৰিকতিও নাছিল, নাছিল কোনো ডাঙৰ ডাঙৰ বৃক্ষ, গছ-গছনি, গোটেই ঠাইডোখৰ আছিল অতি ৰুক্ষ।

এই হ্ৰদত কালীয় নামৰ বিশাল আৰু ভয়ংকৰ আকৃতিৰ সাপ এটা আছিল। কালীয়ৰ মুখেদি সদায় জুই ওলায়। তাৰ কাৰণে হ্ৰদৰ পানীত ইমান ওখ ঢৌ ওখ আৰু উঠে সেই বিশাল-বিৰাট ঢৌবোৰ ভাঁপ হৈ উৰি যায়।

কৃষ্ণই কালীয় সৰ্পক দমন কৰিব বুলি স্থিৰ কৰিলে। কিয়নো—এই হ্ৰদৰ জলৰাশিয়ে তেতিয়া বৃন্দাবনৰ অধিবাসী-সকলৰ উপকাৰ কৰিব, হ্ৰদৰ তীৰৱৰ্তী ঠাইবোৰ গছে-বনে ভৰপূৰ হ'ব, পশু-পক্ষীবিলাকো নিৰ্ভয়ে আৰু আনন্দৰে ইয়াত থাকিবহি পাৰিব। আৰু মানুহেও ইয়াত নিৰ্ভয়ে বসতি কৰিব পাৰিব।

কথা আৰু আছে। এই হ্ৰদৰ তীৰৱৰ্তী ঠাইত যি সামান্য হাবি আছে, সেই হাবিত নিশ্চয় কালীয়ৰ পোৱালিবোৰ আছে। কালীয়ক দমন কৰিব পাৰিলে, তাৰ পোৱালিবিলাকৰো ব্যৱস্থা-বন্দবস্ত একেলগেই হৈ যাব।

গতিকে—কৃষ্ণই কালীয় সৰ্পক দমন কৰাত দৃঢ়প্ৰতিজ্ঞ হ'ল।

তাৰ পাছত, এদিন কৃষ্ণ হ্ৰদৰ তীৰলৈ গ'ল। এই হ্ৰদৰ তীৰত এজোপা কদম্ব ফুলৰ গছ আছিল। ভবামতে কৃষ্ণ কদম্ব-গছত উঠি থাকিল। তাৰপৰা হ্ৰদৰ পানীলৈ জঁপিয়াই পৰিব বুলি স্থিৰ কৰি, মূৰৰ দীঘল চুলিকোচা ওপৰমূৰাকৈ কটকটীয়াকৈ বান্ধি ল'লে, আৰু তাৰ পাছত কদম্বৰ মূধলৈ উঠি, তাৰপৰা কালীয় সৰ্প থকা হ্ৰদৰ বুকুলৈ কৃষ্ণ জঁপিয়াই পৰিল।

আৰু নিমিষতে সেই বিশাল হ্ৰদৰ বিপুল জলৰাশি আকাশলংঘা হৈ উঠিল।



শিয়ালৰ টুপি

সুপ্ৰাচীনকালত চীনদেশখনৰ এমূৰত অণ্টাক নামৰ এজন যুৱক আছিল। সা-সম্পদ বোলোঁতে তাৰ আছিল মাত্ৰ এজোপা ডালিম গছ। এই ডালিম জোপাক সি অতি যত্নেৰে সৈতে প্ৰতি-পালন কৰিছিল। এইজোপা ডালিমৰ আলপৈচান ধৰোঁতেই তাৰ সময়বোৰ পাৰ হৈছিল। বছৰৰ যি সময়ত ফল ওপজিছিল, সেই সময়ছোৱাত অণ্টাকে সদা-সৰ্বক্ষণ ডালিমজোপাক পৰ দিছিল।

উৎপতীয়া দুষ্ট ল'ৰাবোৰে ডালিম চুৰি কৰি খাবলৈ নানা ধৰণে চেষ্টা কৰিছিল। অণ্টাকে কেতিয়াবা সিহঁতক খেদি পঠাইছিল, কেতিয়াবা গালি পাৰিছিল। কোনেও তাৰ ডালিমজোপাৰ কাষকে চাপিব নোৱাৰিছিল। কোনোবা ল'ৰাই দলি মাৰি ডালিম বুটলিবলৈ চেষ্টা কৰিলে অণ্টাকৰ উগ্ৰ খং উঠিছিল। এইবোৰ কাৰণত অণ্টাকক 'ডালিমৰ ৰজা' বুলি ৰাইজে আঁৰত চৰ্চিছিল।

এবছৰ অণ্টাকৰ সেই ডালিমজোপাত পাততকৈয়ো বেছি ডালিম লাগিল। অণ্টাকে দিনে-নিশাই ডালিমজোপাক পৰ দি থাকিল। কিন্তু এনিশা বহু চেষ্টা কৰিও সি সাৰে থাকিব নোৱৰা হ'ল আৰু ভালেমান ডালিম চুৰি হৈ গ'ল।

পাছদিনাও একেই কাণ্ড ঘটিল। সেই নিশাও তাক টোপনিয়ে ভালেকৈ জোকাই ল'লে আৰু ডালিমো নোহোৱা হ'ল।

পাছদিনা সি প্ৰতিজ্ঞা কৰিলে যে সি ৰাতিৰ পৰতে সাৰে থাকিবই থাকিব। মাজনিশা সি লক্ষ্য কৰিলে যে এটা শিয়াল

ডালিমজোপাৰ কায চাপিছে। শিয়াল-টোৱে যেতিয়া ডালিম বুটলিবলৈ ধৰিলে, অণ্টাকে শিয়ালৰ নেগুৰত থাপ মাৰি ধৰিবলৈ চেষ্টা কৰিলে। কিন্তু চকুৰ পচাৰতে শিয়ালটো দৌৰি পলাল।

পাছদিনা অণ্টাকে শিয়াল অহা বাটত আঠা ঢালি দিলে। সেই নিশাও শিয়াল আহি থাকিল আৰু শিয়ালৰ ঠেং আঠাৰে আটক হৈ পৰিল। এইবাৰ অণ্টাকে শিয়ালটোক লাঠিৰে কোবাই মাৰি পেলাবলৈ যো-জা কৰি থাকিল।

তেতিয়া হঠাৎ শিয়ালটোৱে অণ্টাকক ক'লে, "তুমি যদি মোক এৰি দিয়া, মই তোমাৰ বিৰাট উপকাৰ কৰিম। তোমাৰ যদি মন আছে—ৰাজকন্যাৰ সৈতে তোমাৰ বিয়া পাতি দিম।"

"মোৰ সৈতে মজা মাৰিছা, নহয়? ৰাজকন্যা নালাগে—মোৰ নিচিনা পৰি মৰা বিধৰ এটাক হালোৱা-জালোৱাৰ কন্যায়ো বিয়া নকৰাব।" অণ্টাকে ক'লে।

"তুমি মোক এৰি দিয়া, মই ৰাজকন্যাৰ সৈতে তোমাৰ বিয়া পাতি—দিমেই।" অণ্টাকক শিয়ালটোৱে তাৰ শিং দেখুৱালে।

আৰু তাৰ কথাত ভোল গৈ অণ্টাকেও শিয়ালটোক এৰি দিলে।

তেতিয়া শিয়াল গ'ল নৈৰ সিপাৰলৈ। সিপাৰলৈ গৈ সেই দেশৰ ৰজাক শিয়ালটোৱে ক'লে, "মহাৰাজ, মণি-মুকুতা চালিবলৈ আপোনাৰ যিখন চালনী আছে—মোক দুটামান দিনৰ কাৰণে দিবনে? চালনীখন আমাৰ ৰজাক লাগে। ৰজাই এই চালনীত মণি-মুকুতাবোৰ চালি সৰু সৰু মুকুতাবোৰ পেলাই দিব।"

শিয়ালৰ কথাত পতিয়ন গৈ ৰজাই তাক চালনীখন দিলে আৰু সেইখন লৈ শিয়ালে লৰ ধৰিলে।

তাৰ পাছত, চালনীখনৰ গাত কেই-টুকুৰামান নকলী মণি-মুকুতাৰ টুকুৰা লগাই ৰজাক পুনৰ চালনীখন ওভোতাই দিলেগৈ।

ৰজাৰ কন্যা তিনিজনীয়ে লোভ লগা দৃষ্টিৰে মণি-মুকুতাৰ টুকুৰা কেইটালৈ চোৱাত শিয়ালটোৱে ক'লে, "তোমালোকক লাগে যদি—মোক ক'বা। আমাৰ অণ্টাক মহাৰাজে উটৰ পিঠিত বোজাই কৰি মণি-মুকুতা কৰি লৈ যাব ধৰিছে।"

শিয়ালৰ কথা শুনি ৰজাৰ মনত অণ্টাক ৰজাক জোঁৱাই হিচাপে লোৱাৰ ইচ্ছা জাগিল। তেওঁ শিয়ালটোক ক'লে, "হেৰাহে, অণ্টাক ৰজাৰ সৈতে আমাৰ এই তিনিজনীৰ মাজত এজনীৰ যোৰা পাতি দিয়ানা।"

"ব্যস্ত নহ'ব। এই বিষয়ে তেওঁৰ সৈতে কথা পাতিম। তেওঁ বিয়া কৰাবনে নকৰে কেনেকৈ ক'ম এতিয়াই?"

তাৰ পাছত জাঁপ মাৰি মাৰি অণ্টাকৰ কাষ পাই শিয়ালটোৱে অণ্টাকক ক'লেগৈ, "হেৰাহে অণ্টাক, তোমাৰ কপাল ফুলিল। মই ৰাজকন্যাৰ সৈতে তোমাৰ বিয়াৰ বন্দৱস্ত কৰিলোঁৱেই। সাজু হোৱা।"

অণ্টাকে মুখ ওন্দোলাই ক'লে, "তোমাৰ পেট চলিলনে মূৰ গেলিল? মোৰ দেখোন কণা-মাকৰি এটাও নাই!"

"শুনা, বুদ্ধি আছে যাৰ, ছুনীয়াখনেই তাৰ। তুমি মাত্ৰ ব'লা মোৰ লগত। মই যি ক'ম তাকে কৰিবা। বচ, হৈ যাব।" শিয়ালটোৱে ক'লে।

অলপ দূৰলৈ গৈ এখন নৈত অণ্টাকক নমাই শিয়ালটোৱে ক'লে, "তুমি ইয়াত এডিঙি পানীত থিয় হৈ থাকিবা। মই তৎক্ষণাৎ আহিম।"

শিয়ালটোৱে পোনে পোনেই সেই ৰজাক ক'লেগৈ, "মহাৰাজ, আমাৰ অণ্টাক ৰজাই চলিছটা উটৰ পিঠিত মণি-মুকুতা বোজাই কৰি নৈ পাৰ হ'বলৈ ধৰোঁতে বানপানীয়ে সকলো উটুৱাই নিলে। আনকি তেওঁৰ মিতিৰ-কুটুম বন্ধু-বান্ধৱ মন্ত্ৰী-সেনাপতি সকলোকে বানে উটুৱাই নিলে। কেৱল তেওঁহে কথমপি ৰক্ষা পৰিল।

এতিয়া পৃথিৱীত তেওঁ অকলশৰীয়া।"

কিন্তু তথাপি ৰজাই অন্টাকক জোঁৱাই হিচাপে ল'লে। অন্টাকৰ সৈতে ৰজাৰ তৃতীয়জনী ছোৱালীৰ বিয়া পতা হ'ল। আৰু কেইদিনমানৰ অন্তত, এদিন এক শুভ মুহূৰ্তত নৱ পৰিণীতা ৰাণীক লগত লৈ অন্টাক ৰজা তেওঁৰ ৰাজধানীলৈ ৰাওণা হ'বলগা হ'ল। লগত, শহুৰেকে দিলে অসংখ্য প্ৰহৰী, সৈন্য, নানান মিতিৰ-কুটুম - বন্ধু-বান্ধৱ - অনুচৰ-পাৰ্শ্বচৰ আদি। কিন্তু শিয়ালটো সকলোটিৰ আগে আগে দৌৰি দৌৰি গৈ থাকিল।

কিছুদূৰলৈ আগবাঢ়ি যোৱাৰ পাছত শিয়ালটোৱে উটৰ বাহিনী এটা দেখা পাই উটৰ বাহিনীৰ মালিকক লৰৰি ক'লেগৈ, "হেৰা, সোঁৱা চোৱা, হাজাৰ হাজাৰ লুণ্ঠনকাৰী লৰি আহিব ধৰিছে!"

উট বাহিনীৰ মালিকে ক'লে, "এতিয়া কি হ'ব? কি কৰোঁ? মই কোৱাচোঁ?"

"শুনা, উপায় এটা আছে। তুমি লুণ্ঠনকাৰীহঁতক ক'বা যে—এই উটৰ বাহিনী তোমাৰ নহয়, অন্টাক মহাৰাজৰ। অন্টাক মহাৰাজৰ বস্তু সিহঁতে নলয়-নোছোৱে।" শিয়ালটোৱে ক'লে।

যথাসময়ত ৰজাৰ অনুচৰহঁতে উট-বাহিনীৰ মালিকক সুধিলেগৈ, "ইমানবোৰ উট—কাৰ?"

উট বাহিনীৰ মালিকে লগে লগে লগে কৈ দিলে, "অন্টাক মহাৰাজৰ।"

এই কথা শুনি ৰজাৰ অনুচৰহঁতে ভাল পালে আৰু গুচি গ'ল।

তাৰ পাছত এঠাইত ভালেমান ঘোঁৰা দেখা পাই শিয়ালটোৱে ঘোঁৰাবিলাকৰ মালিককো উটৰ মালিকক কোৱাৰ দৰে ক'লেগৈ আৰু ঘোঁৰাৰ মালিকক ৰজাৰ অনুচৰবিলাকে সোধাত মালিকে শিয়ালে শিকোৱামতে ক'লে, "এই ঘোঁৰাবোৰ অন্টাক মহাৰাজৰ।"

আৰু এইবাৰ শিয়ালটো আগতকৈয়ো

বেগাই গৈ থাকিল। গৈ গৈ এঠাইত সি তাৰ চিনাকি ৰাক্ষস ৰজাক লগ ধৰিলেগৈ আৰু ৰাক্ষসক ক'লে, "হেৰা, তোমাৰ দেখোন সৰ্বনাশ হ'ল। হাজাৰ হাজাৰ ডকাইত আহি আছে। তুমি অকলে সিহঁতক ভেটিব নোৱাৰিবা। তুমি মৰিবা আজি।"

ৰাক্ষস ৰজাই ভয় খাই ক'লে' "কি কৰোঁ তেন্তে—মোৰ কি হ'ব ?"

"এটা কাম কৰা। তুমি—তুমি এই খৰিৰ দ'মত লুকাই থাকা। সিহঁত যেতিয়া গুচি যাব—তেতিয়া ওলাবা।" শিয়ালটোৱে ক'লে।

ৰাক্ষসৰজাই আগ-পাছ নুগুণি লগে লগে খৰিৰ দ'মত সোমালগৈ আৰু শিয়ালটোৱে তৎক্ষণাৎ খৰিৰ দ'মত জুই লগাই ৰাক্ষসৰজাক পুৰি মাৰিলে।

তাৰ পাছত শিয়ালটোৱে অন্টাক আৰু ৰাজকন্যাক ৰাক্ষসৰজাৰ প্ৰাসাদলৈ লৈ আহিল। অন্টাক ৰজাৰ প্ৰাসাদ চাই ৰজাঘৰীয়াই বৰ ভাল পালে। কেইদিনমান এই প্ৰাসাদতে থকাৰ অন্তত, ৰজাৰ অনুচৰ, প্ৰহৰী, সৈন্য, মন্ত্ৰী, সেনাপতি—সকলো ৰাজধানীলৈ গ'লগৈ।

অন্টাক আৰু ৰাজকন্যাৰ লগত শিয়ালটোও সেই প্ৰাসাদতে থাকিল।

এদিন শিয়ালটোৱে অন্টাকক ক'লে, "চোৱাঁ, মই তোমাৰ কিছু উপকাৰ নিশ্চয় কৰিলোঁ। মোৰ মৃত্যুৰ পাছত তুমি মোৰ কাৰণে কি কৰিবা কোৱাচোন ?"

"মই তোমাক সদায় মূৰত ৰাখিম।" অন্টাকে শিয়ালটোক ক'লে।

শিয়ালটোৰ মৃত্যুৰ পাছত অন্টাকে নিজৰ প্ৰতিশ্ৰুতি ৰক্ষাৰ বাবে শিয়ালটোৰ ছালেৰে টুপি বনাই মূৰত পিন্ধিলে। তেতিয়াৰেপৰাই চীনদেশৰ এই অঞ্চলৰ মানুহে শিয়ালৰ প্ৰতি কৃতজ্ঞতাৰ চিনস্বৰূপে শিয়াল ছালৰ টুপি পিন্ধে।



কুঁহিয়াৰৰ ৰস

ৰামশাস্ত্ৰী আছিল কবি। এদিন কবি ৰামশাস্ত্ৰী ভূপতিৰ দোকানলৈ গ'ল ইটো-সিটো কিনিবলৈ। দোকানী ভূপতিয়ে তেতিয়া আন এজন মানুহৰ সৈতে কথা পাতি আছিল। কথাবোৰ আছিল বিভিন্ন নীতিমূলক কথা।

পাছদিনা ৰামশাস্ত্ৰীয়ে ভূপতিৰ নীতি-কথাৰ ভেটিত কেইটিমান কবিতা লিখি গাঁৱৰ জমিদাৰক শুনালেগৈ। জমিদাৰ ডাঙৰীয়াই ৰামশাস্ত্ৰীৰ এই কবিতাবোৰ শুনি ভাল পাই ৰামশাস্ত্ৰীক পঞ্চাছটা সোণৰ মুদ্ৰা দিলে।

মুদ্ৰাখিনি লগত লৈ ৰামশাস্ত্ৰীয়ে ভূপতিক কথাটো ক'লেগৈ। ৰামশাস্ত্ৰীয়ে পাছত ক'লে, "পিছে—মোৰ কবিতাবোৰ আছিল তোমাৰ নীতি-কথা ভেটিত লিখা।"

ভূপতিয়ে ৰামশাস্ত্ৰীৰ সৰল সত্য স্বীকৃতিত ভাল পাই ক'লে, "আপুনি যদি ঠিকমতে সজাই-পৰাই লিখিব পাৰে, মই আৰু ঢেৰ ঢেৰ নীতি-বিষয়ক কথা আপোনাক ক'ব পাৰোঁ।"

তাৰ পাছৰপৰা প্ৰায় প্ৰতিদিনেই ভূপতিয়ে ৰামশাস্ত্ৰীৰ সৈতে বহু পৰলৈকে বিভিন্ন আলোচনা কৰিছিল।

এদিন ভূপতিয়ে চৰাইৰ মাত তথা সিহঁতৰ বিভিন্ন ধ্বনি-প্ৰতিধ্বনিৰ অৰ্থসম্পৰ্কে ৰামশাস্ত্ৰীক বুজাই ক'লে। এইআলোচনাৰ সাৰমৰ্মৰ গইনা লৈ ৰামশাস্ত্ৰীয়ে কিছুমান কবিতা ৰচি আন এক অঞ্চলৰ কাব্যামোদী জমিদাৰ এগৰাকীক পাঠ কৰি শুনালেগৈ। জমিদাৰে শুনি ভাল পাই কবি ৰামশাস্ত্ৰীক এশ সোণৰ মুদ্ৰা উপহাৰ দিলে।

সুন্দৰ সোনোৱাল

এই কথা শুনি ভূপতিয়ে ভাবিলে ঃ মোৰ জ্ঞান নিশ্চয় অপৰিসীম। মই নিশ্চয় প্ৰতিভাৱান। মোৰ প্ৰতিভাৰ পোহৰতহে ৰামশাস্ত্ৰীয়ে কবিতা লিখিছে।

ৰামশাস্ত্ৰীয়ে কিন্তু ভূপতিয়ে কোৱা কথাবোৰ কদাপি হুবহু লিখা নাছিল। সেইবোৰ কথাৰ সাৰমৰ্ম আৰু লগতে অন্যান্য কথা প্ৰয়োগ কৰিহে লিখিছিল।

এদিন ভূপতিয়ে দেশৰ শাসন-ব্যৱস্থাৰ সম্পৰ্কে বহু সময় ধৰি ৰামশাস্ত্ৰীৰ সৈতে আলোচনা কৰিলে। ভূপতিৰ বক্তব্যৰ সাৰাংশ উপলব্ধি কৰি, বহু শ্ৰম তথা অধ্যৱসায়ৰে কিছুমান কবিতা লিখি, এইবাৰ ৰামশাস্ত্ৰী ৰাজধানীলৈ গ'ল দেশৰ ৰজাক এই কবিতাবোৰ শুনাবলৈ।

ৰজাই ৰামশাস্ত্ৰীৰ কবিতাবোৰ দুবাৰকৈ অতি মনোযোগৰে শুনিলে। তাৰ পাছত তেওঁ পুনৰ এবাৰ সেই একেইবোৰ কবিতা শুনিবলৈ ৰামশাস্ত্ৰীক ৰাজসভালৈ মতাই অনালে। ৰামশাস্ত্ৰীৰ কবিতাসমূহে ৰজাক আৰু ৰাজসভাস্থ প্ৰতিজনকে ইমান মুগ্ধ কৰিলে যে স্বয়ং ৰজাই সিংহাসনৰপৰা নামি আহি ৰামশাস্ত্ৰীলৈ হিয়াভৰা অভিনন্দন জ্ঞাপন কৰিলে।

ৰজাই ৰামশাস্ত্ৰীক উপহাৰ-পুৰস্কাৰ প্ৰদান কৰিব—এই কথা জানিব পাৰি, নিৰ্দিষ্ট দিনত ভূপতিও ৰাজসভালৈ গ'ল।

যথাসময়ত, ৰামশাস্ত্ৰীয়ে সেই কবিতা-



সমূহ পুনৰ এবাৰ শুনোৰাৰ অন্তত, স্বয়ং ৰজাই ৰামশাস্ত্ৰীক ফুলৰ মালাৰে ভূষিত কৰি যেতিয়া বিভিন্ন উপহাৰৰ শৰাই আগবঢ়াইছিল, তেতিয়া আৰু সহিব নোৱাৰি ভূপতিয়ে কৈ উঠিল, "মহাৰাজ! ৰামশাস্ত্ৰীৰ প্ৰতি এই বিপুল সন্মান প্ৰদৰ্শনত ময়ো ভাল পাইছোঁ; কিন্তু এইবোৰ সন্মান তথা উপহাৰ-পুৰস্কাৰৰ অৰ্ধাংশ মোৰো প্ৰাপ্য।" এই বুলি মন্তব্য কৰাৰ অন্তত ভূপতিয়ে ৰজাক ৰামশাস্ত্ৰীৰ কবিতাৰ বিষয়ে সকলো কথা ভাঙি-পাতি ক'লে।

ভূপতিৰ কথা শুনাৰ পাছত ৰজাই এডাল কুঁহিয়াৰ অনালে আৰু সেই কুঁহিয়াৰ-ডাল ভূপতিক দেখুৱাই প্ৰশ্ন কৰিলে, "হে ভূপতি, এই কুঁহিয়াৰডালৰপৰা কিমান-খিনি ৰস ওলাব? সেই ৰসৰপৰা কিমানখিনি গুৰ ওলাব ক'বনে?"

"মহাৰাজ! আপোনাৰ এনে আচৰিত প্ৰশ্নৰ উত্তৰ—কোনেও দিব নোৱাৰিব। কুঁহিয়াৰডাল চেপি ৰস নুলিউৱালৈকে ৰসৰ পৰিমাণ, বা সেই ৰসৰপৰা গুৰৰ পৰিমাণ কেনেকৈ কোৱা হ'ব?" ভূপতিয়ে ভৰিৰ ডোল গলত আঁৰি ল'লে।

ৰজাই তেতিয়া ক'লে, "তুমি ৰাম-শাস্ত্ৰীক যিবোৰ কৰা কৈছিলা, ধৰ—সেইবোৰ কথা আছিল এডাল কুঁহিয়াৰ। সেই কথাৰূপী কুঁহিয়াৰ চেপি ৰস উলিয়াইহে ৰামশাস্ত্ৰীয়ে ৰসে-গুৰে কবিতা লিখি পাৰিছে, তুমি কিন্তু লিখিব পৰা নাছিলা, আনকি লিখাৰ কথা ভাবিবও পৰা নাছিলা। মুকুতাৰ মোল মুকুতাই নুবুজে, বুজে জহৰীয়েহে। এতিয়া তুমিয়েই কোৱাঁ, যথাযোগ্য সন্মান কাক দিয়া উচিত? তোমাক নে ৰামশাস্ত্ৰীক?"

ৰজাৰ এনে কথা দি কথা লোৱা কথাৰ একো উত্তৰ নিদিয়াকৈ তলমূৰ হৈ, ভূপতি ৰাজসভাৰপৰা ওলাই গুচি গ'ল।

ধোবাংবাং

নিবাৰণ আছিল ৰজাৰ ধোবা। নিবাৰণৰ এটা বিশেষ অভ্যাস আছিল এয়ে যে সি প্ৰতিনিশা বিভিন্ন ধৰণৰ সাজ-পাৰ পিন্ধি বাটে বাটে ঘূৰি ফুৰিছিল। এইদৰে ঘূৰি ঘূৰি এনিশা সি ছদ্মবেশী ৰজাক লগ পাই গ'ল।

ৰজা আছিল সাধুৰ বেশত। নিবাৰণে সাধুৰূপী ৰজাক গম্ভীৰ কণ্ঠেৰে ক'লে, "এই মাজ-নিশা তুমি ক'লৈ যাবলৈ ওলাইছাহে?"

"ধৰমশালালৈ যাম, বোপা।" ৰজাই ক'লে।

"ধৰমশালালৈ যাবানে সিন্ধি খান্দিবলৈ যাবা? সাধুৰ ভেশত চোৰ মই ঢেৰ দেখিলোঁ। সঁচাসঁচৈকৈ সাধু হোৱাহঁতেন এনে মাজ নিশা তুমি চোৰৰ দৰে ঘূৰি নুফুৰিলাহঁতেন।"

"মোক মাফ কৰক। মই আপোনাক চিনি নাপালোঁ।" ৰজাই ক'লে।

"কেনেকৈনো চিনি পাবা? মই ছদ্মবেশত আছো নহয়? আচলতে মই এই দেশৰ ৰজা।" নিবাৰণে মোচত তাও দি ক'লে।

"মাফ কৰক, মহাৰাজ! মই আৰু কেতিয়াও ৰাতিৰ পৰতে নোলাওঁ।" এই বুলি কৈ, ৰজা তাৰপৰা গুচি গ'ল।

ৰজাৰ খোজ-কাটলৈলৈ চাই ধূৰ্ত্ত নিবাৰণে বুজি পালে যে এই সাধু সাধু নহয়, এৱেঁই দেশৰ ৰজা। সি প্ৰমাদ গণিলে। কিন্তু তৎক্ষাৎ এটা বুধিও পাঙিলে।

সি খৰখৰকৈ ৰজাক কলেগৈ, "মোক ক্ষমা কৰক, পৰভু! আপুনি হ'ল সন্ন্যাসী। আপোনাৰ তপস্যাৰ বল-শক্তিৰ উমান ল'বলৈ মই আপোনাক পৰীক্ষা কৰি আছিলোঁ। আচলতে মই হ'লোঁ ৰজাৰ ধোবা। আপুনি নিশ্চয় আপোনাৰ দিব্য দৃষ্টিৰে সেই কথা বুজি পালেই। মোক ক্ষমা কৰক, পৰভু!" এইবুলি কৈয়েক নিবাৰণ ৰজাৰ ভৰিত উবুৰি খাই পৰিল।

ৰজাৰ উগ্ৰ খং উঠিছিল ঠিকেই, তথাপি নিবাৰণৰ এনে উপস্থিত বুদ্ধিৰ পৰিচয় পাই তাক কঠিন শাস্তি নিদিয়াটোকে মনতে খাটাং কৰিলে আৰু তাক তেতিয়াই আশ্বস্ত কৰিলে। এই ঘটনাৰ পাছৰপৰা সেই নিবাৰণ ধোবাই তাৰ ৰাতিচৰা অভ্যাস এৰি পেলাইছিল।



কথাৰ কিল

শ্ৰীপুৰৰ জমিদাৰৰ নাম আছিল চিদানন্দ চৌধাৰী। এদিন আন এখন গাঁৱৰপৰা উভতি অহাৰ বাটত চৌধাৰী জমিদাৰে এডৰা আমনিৰ ওচৰত ৰৈ দিলে। চৌধাৰী জমিদাৰে মুগ্ধ দৃষ্টিৰে ফলেৰে জাতিষ্কাৰ হৈ পৰা আমগছবিলাকলৈ ৰ' লাগি চাই ৰ'ল। আমনিৰ প্ৰতিজোপা আমগছত লেখ-জোখ নোহোৱা আম ওলমি আছিল।

জমিদাৰৰ লগত থকা তেওঁৰ গোমস্তা দিৱাকৰে চৌধাৰীক ক'লে, "দেউতা, এই আমনি আপোনাৰেই। এইডৰা আমনিৰ কথা ইমানদিন ধৰি আপুনি কিজানি পাহৰিয়েই আছিল।"

জমিদাৰ চৌধাৰীয়ে অবাক হৈ ক'লে, "ইমান ভাল আমনিডৰা চোৰা-চিঁতা কৰিবলৈ, বা পৰ দিবলৈ কোনো নাই দেখোন! আজিয়েই কমেও এটা পৰীয়াক মকৰল কৰা।" চৌধাৰীয়ে আমনি পোৱা যেন হৈ কথাবোৰ ক'লে।

গোমস্তা দিৱাকৰে ক'লে, "হওঁতে—পৰীয়া এটা আছেই, দেউতা। তাৰ নাম ৰামবচন। সি কিবা কামত ক'ৰবালৈ ওলাল বোধকৰোঁ। ৰামবচন বৰ বিশ্বাসী মানুহ, ৰামবচনক মই বহু দিনৰেপৰাই চিনি পাওঁ।" ঠিক তেতিয়াই দিৱাকৰে এজোপা আমগছৰ তলত বহি থকা বুঢ়ী এজনীলৈ আঙুলিয়াই তেওঁৰ গৰাকী চৌধাৰী জমিদাৰক ক'লে, "সোৱা, চাওক দেউতা, সেই যে বুঢ়ীজনী বহি আছে, সেই বুঢ়ীজনী আমনিত থকালৈকে আম চুৰি কৰাৰ সাধ্য কাৰো নহ'ব।"

মনিমা দেৱী

জমিদাৰে অবাক মানি ক'লে, "কি কোৱাঁহে! সেইজনীৰ দেখোন লৰ-চৰ কৰাৰো ক্ষমতা নাই। তাই কাৰোবাক খেদিব, বা ধৰিব পাৰিবনে? নোৱাৰে। আমখিনি এফালৰপৰা পাৰি লৈ গ'লেও তাই একো কৰিব নোৱাৰে।"

গোমস্তা দিৱাকৰে অতি বিনম্রভাৱে চৌধাৰীক ক'লে, "দেউতা, কেৱল শৰীলৰ শকতিৰে চোৰ খেদিব নোৱাৰি নহয়? হাতৰ কিলতকৈ কথাৰ কিল আৰু ভয়ংকৰ। এই বুঢ়ীৰ কথাৰ কিলৰ আগত তিষ্ঠিব পৰা মানুহ অতি কমেইহে ওলাব।"

গোমস্তাৰ কথা শুনি অবাক মানি চৌধাৰীয়ে ক'লে, "তেন্তে ব'লাচোন আমি আমনিলৈ সোমাওঁগে—বুঢ়ীয়ে কি কয়-নকয় শুনোৱেইচোন।"

চৌধাৰী জমিদাৰ আৰু দিৱাকৰ আমৰ বাগানত সোমালগৈ। বাগানত যে কোনোবা-কুনুবি সোমাইছেহি, বুঢ়ীয়ে গম পাই গ'ল। বুঢ়ী বহু কষ্টেৰে উঠি থিয় হ'ল আৰু এখুজি-দুখুজিকৈ চৌধাৰী আৰু দিৱাকৰৰ কাষ পালেহি। জমিদাৰ চৌধাৰীয়ে লুকাই-চুোৰকৈ আম কেইটা-মান ল'ব আৰু তেতিয়া বুঢ়ীয়ে কি কয়-কৰে শুনিব-চাব বুলি ভাবিছিল; কিন্তু নহ'ল। কিয়নো বুঢ়ী পোনেই তেওঁৰ ওচৰলৈ আহিল। চৌধাৰীয়ে থতমত খাই বুঢ়ীক ক'লে, "আইতা, বাগানত যে



দামুৰি হুটমান সোমাইছেহি, দেখিছানে?"

বুঢ়ীয়ে জমিদাৰ চৌধাৰীক চিনি নাপাই ক'লে, "সেইবিলাক আমাৰে দামুৰি। ইহঁত কেতিয়াও আমৰ বাগানত নোসোমায়। দামুৰি হ'লেও অতি ভদ্ৰ। কিন্তু তোমালোক বাৰু দামুৰিতকৈয়ো অধমনে কি? কিয় মানুহ হৈয়ো আনৰ বাগানত সোমাইছাহি? গৰুৰ পোৱালিয়েও যি কাম নকৰে, মানুহ হৈনো কিয় তোমালোকে তেনে কাম কৰা?"

চৌধাৰীয়ে বুঢ়ীৰ কথাৰ কিল সহিব নোৱাৰি খৰধৰকৈ তাৰপৰা ওলাই আহিল, বুঢ়ীও আকৌ আগৰ ঠাইত বহিলগৈ।

বাটত দিৱাকৰে চৌধাৰী জমিদাৰক ক'লে, "দেখিলেনে দেউতা, মই যি কৈছিলোঁ কিমান সঁচা? এই বুঢ়ীৰ কথাৰ কিল সহ্য কৰি কোনেও আম চুৰি কৰিবলৈ এই আমনিত নোসোমায়হি।"

জমিদাৰ চৌধাৰীয়ে মূৰ হুপিয়াই দিৱাকৰৰ কথালৈ সমৰ্থন জনালে।

ঠিক তেতিয়াই ক'ৰবাৰপৰা ৰামবচন ওলালহি তাত। ৰামবচনে জমিদাৰ চৌধাৰীক নমস্কাৰ কৰিলে।

চৌধাৰীয়ে দিৱাকৰক সুধিলে, "ইয়েই আমাৰ ৰামবচন নে কি!"

"হয়, দেউতা।" দিৱাকৰে ক'লে।

চৌধাৰীয়ে ৰামবচনৰ পিঠিত লাহেকৈ থপৰিয়াই ক'লে, "চোৱা ৰামবচন, তোমাৰ হাতত থকা লাঠিৰ কোবতকৈয়ো তোমাৰ মাৰাৰ কথাৰ কিল সহ্য কৰা টান। মই তুষ্ট হৈ এই দহটা মোহৰ তোমাৰ মাৰাক দিলোঁ উপহাৰ হিচাপে, তেওঁক দিবা।"

তাৰ পাছত, ৰামবচনৰ দৰে যোগ্য মানুহক এজনক আমৰ বাগানৰ চোৱা-চিতা তথা পৰ দিয়াৰ কামত নিযুক্ত কৰাৰ বাবে সুবিবেচক জমিদাৰ চিদানন্দ চৌধাৰী ডাঙৰীয়াই গোমস্তা দিৱাকৰৰ দূৰদৃষ্টিৰো শলাগ ল'লে।





পনীয়া গছ !

এই বিচিত্ৰ গছ ২০০ বছৰত ৪০—৫০ ফুট বাঢ়ে। এই গছৰ ওজনো প্ৰচুৰ—প্ৰায় দহ টন। কিন্তু এই বিচিত্ৰ গছৰ ভিতৰভাগৰ অধিকভাগেই পানীৰে পৰিপুৰ্ণ।

আমেৰিকাৰ ওৰিগান আগ্নেয়গিৰিত প্ৰাগৈতিহাসিক কালৰে পৰাই আগ্নেয়গিৰিৰ বৈশিষ্ট্য পৰিলক্ষিত হয়। দহ কিলোমিটাৰলৈ বিয়পা এই আগ্নেয়গিৰিৰ ভিতৰত হেনো আন এটা আগ্নেয়গিৰি আছে।।

একৰ ভিতৰত দুই জুই আৰু জুই !



খুনী কাঠ-ফুলা !

এই কাঠ-ফুলা বা বেং-ছতা দেখাত সাধাৰণ কাঠ ফুলাৰ নিচিনা। বিজ্ঞানীসকলে এই কাঠ-ফুলাক 'ডেথ কাপ [অমানিটা ফ্লাইডছ]' বুলি কয়। এই কাঠ-ফুলা অতি বিষাক্ত। এই কাঠ-ফুলা খোৱাইত হাইজাৰ কবলত পৰে।

চান্দমামা

চিত্তাকৰ্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিবেশন কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সম্ভলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০·০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ

চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৮ চনৰ জুন সংখ্যাত প্ৰকাশিত হ'ব



* ফটো-নামকৰণছুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিবলাগিব। ১৯৮৮ চনৰ এপ্ৰিল মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্ব.শ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৭ চনৰ ফেব্ৰুৱাৰি মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : ইমান মধুৰ ! দ্বিতীয় ফটো : কিমান গধুৰ !

পুৰস্কাৰ প্ৰাপক : নীলমণি শৰ্মা, গুৰাকুছি, ঘগ্ৰাপাৰ, কামৰূপ।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা
ভাৰতত বছৰেকীয়া বৰঙণি ৩০'০০ টকা মাথোন
তলৰ ঠিকনালৈ পঠাব লাগিব :
DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026
নাইবা
Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

No share prices,
no political fortunes, yet...

"Over 40% of Heritage readers are professionals or executives, 61% from households with a professional / executive as the chief wage earner. Half hold a postgraduate degree or a professional diploma."

– from an IMRB survey conducted in Oct. 1986

It's an unusual magazine. It has a vision for today and tomorrow.
It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.
More than 80% of The Heritage readers are reading an issue more than once.
And over 90% are slowly building their own Heritage collection.
Isn't it time you discovered why?

THE HERITAGE

CMP-2155

So much in store, month after month.

মধুৰ ক্ষণৰ
সুমধুৰ
লগৰী...
nutrine Chocolate Eclairs
...যেন
ক্ৰীম সদৃশ
চকোলেট
এক্লেয়াৰ্চ
পৰিবেশনত
নিউট্ৰিন
স্বাভাৱিকতে!
অধিক গাখীৰ। অধিক মাখন।
অধিক চকোলেট।
Ask for
nutrine
Chocolate
Eclairs
nutrine

Gautam Goswami (30.3.88)

everest/86/PP/413-as